UNIVERSITY GRANTS COMMISSION

# ACADEMIC STAFF COLLEGE

## GAUHATI UNIVERSITY

UGC SPONSORED ORIENTATION PROGRAMME

**CERTIFICATE OF PARTICIPATION**

*This is to certify that*

Minu Bora, Asstt. Professor,

(Name of Participant) (Designation)

Mangaldai Commerce College, Mangaldai.

(College/University) (Place)

affiliated to Gauhati University participated in the Orientation Programme, OP 97

from 16 December, 2013 to 12 January, 2014 and obtained Grade ........

Director

Co-ordinator

Vice-Chancellor

# UNIVERSITY GRANTS COMMISSION

ज्ञान-विज्ञान विमुक्तये

# HUMAN RESOURCE DEVELOPMENT CENTRE

## GAUHATI UNIVERSITY

## UGC SPONSORED REFRESHER COURSE

### Certificate of Participation

This is to certify that ....Minu....Bora.........,.........Asstt. Professor....., Mangaldai Commerce College.........,.........Mangaldai.......,...... affiliated to.........................Gauhati................. University participated in Refresher Course in .........................Assamese......................................... from......02...November.....to...22...November, 2015... and obtained.....Grade A.......

21.11.15

Director

Coordinator

Vice-Chancellor

## UNIVERSITY GRANTS COMMISSION
## HUMAN RESOURCE DEVELOPMENT CENTRE
### GAUHATI UNIVERSITY: GUWAHATI-781014 (ASSAM)

75

## UGC-SPONSORED REFRESHER COURSE
### (ONLINE MODE)

# CERTIFICATE OF PARTICIPATION

This is to certify that ***MINU BORA*, Assistant Professor,** Department of **Assamese, *Mangaldoi Commerce College, Mangaldoi*,** affiliated to **Gauhati University, *ASSAM*,** participated in ***"REFRESHER COURSE ON ASSAMESE (LANGUAGE & LITERATURE)"*** held during **6th to 19th December 2021** in Online-mode organized and conducted by this centre.

He/She has successfully completed the course and obtained.......... grade **B**

(Prof. Shyamanta Chakraborty)
Director (i/c)

(Dr. Rekha Rani Devi)
Course Coordinator

(Prof. Pratap Jyoti Handique)
Vice-Chancellor

Electronics & ICT Academy
Indian Institute of Technology Guwahati
An Initiative of Ministry of Electronics & Information Technology (MeitY), Government of India

Ref No.: EICT-110/2018-19/FDP/351

# Grade Certificate

| | | |
|---|---|---|
| **Name of Participant** | : | Ms. Minu Bora |
| **Father's Name** | : | Mr. Heremba Kumer Bora |
| **Mother's Name** | : | Ms. Kabita Bora |
| **Date of Birth** | : | 01/03/1971 |
| **Course Name** | : | Faculty Development Programme on "Use of ICT Tools for Classroom Teaching" |
| **Duration** | : | 21 – 27 January, 2019 |

| Evaluation | Total Marks | Marks Obtained | Percentage |
|---|---|---|---|
| Theory | 50 | 33 | **73.00** |
| Practical/Assignment | 50 | 40 | |
| **Total** | 100 | 73 | |

***Awarded Grade is "B"***

*(Refer overleaf for the grading formula)*

Ratnajit Bhattacharjee

**Prof. Ratnajit Bhattacharjee**
Principal Investigator

Gaurav Trivedi

**Dr. Gaurav Trivedi**
Co-Principal Investigator

**E&ICT Academy IIT Guwahati**
**Email: eictacad@iitg.ac.in, eictacad@gmail.com**
**Phone No: +91-361-258-3182/+91-7086502139**

# Uttar Kampith Mahavidyalaya

# উত্তৰ কামপীঠ মহাবিদ্যালয়

Knowledge Partner
ICTACADEMY

## CERTIFICATE OF PARTICIPATION

This is to Certify that

Minu Bora

of

Mangaldai Commerce college

has successfully completed the
**1-Week Faculty Development Programme**
on

## "DIGITAL LITERACY"

**Organised by:**

**Internal Quality Assurance Cell (IQAC) and Research & Publication Cell,**
**Uttar Kampith Mahavidyalaya, Jagara, Assam,**
**in Collaboration with, ICT Academy (An initiative of Govt. of India)**
**from 21 November 2022 to 27 November 2022**

FACULTY DEVELOPMENT PROGRAM

**Dr. Pankaj Kr. Roy**
Principal (i/c),
Uttar Kampith Mahavidyalaya,
Jagara Assam

**Dr. Rafijul Hussain**
Coordinator, IQAC,
Uttar Kampith Mahavidyalaya,
Jagara, Assam

**Mr. Subhash Upadhyaya**
State-Head,
North-East
ICT Academy

কন্যা মহাবিদ্যালয়

KANYA MAHAVIDYALAYA

ESTD. 1977

Knowledge Partner

ICTACADEMY

# CERTIFICATE OF PARTICIPATION

This is to Certify that

Minu Bora

of

Mangaldai commerce college

has successfully completed the

**One Week Online Faculty Development Programme**

on

## "EFFECTIVE SOFT-SKILLS IN TEACHING-LEARNING PROCESS"

**Organized by:**

**IQAC and Digital Learnng Cell, Kanya Mahavidyalaya, Guwahati, Assam**

**in Collaboration with, ICT Academy**

**from 19th September 2022 to 25th September 2022**

FACULTY DEVELOPMENT PROGRAM

**Dr. Satyajit Kalita**
Principal,
Kanya Mahavidyalaya,
Guwahati, Assam

**Guptajit Pathak**
Head, Department of History &
Coordinator IQAC,
Kanya Mahavidyalaya,
Guwahati, Assam

**Mr. Subhash Upadhyaya**
State-Head, North-East
ICT Academy

**Tridib Goswami**
Assistant Professor
Department of History,
Coordinator, Organizing Committee
& Nodal Officer, Digital Learning Cell
Kanya Mahavidyalaya,
Guwahati, Assam

**Ananya Roy**
Assistant Professor, HOD Bengali &
Asstt. Coordinator, Organizing
Committee & Member,
Digital Learning Cell,
Kanya Mahavidyalaya,
Guwahati Assam

**Dr. Jutika Medhi**
Asssistant Professor,
Department Of Economics &
Asstt. Coordinator, Organizing Committee
& Member, Digital Learning Cell,
Kanya Mahavidyalaya, Guwahati, Assam

NATIONAL SEMINAR ON

# HUMAN VALUES AND CREATIVE LITERATURE

23rd and 24th April, 2016

ज्ञान-विज्ञान विमुक्तये

KHOIRABARI COLLEGE
Estd. - 1993

## CERTIFICATE

This is to certify that

Dr./Mr./Mrs. Minu Bora, Asstt. Prof.

of Mangaldai Commerce College

has participated in the UGC sponsored National Seminar organised by the Department of Assamese of Khoirabari College, Khoirabari, Udalguri, B.T.A.D. (Assam) and presented a paper entitled

Dr. Birinchi Kumar Baruar 'Jiboner Batot' upanyasot Manabiya Mulyabodh

(Hiran Deka Narzi)
Principal & Chairperson
Organising Committee



(Dr. Nabin Ch. Sarmah)
Retd. Professor
Gauhati University
Chairperson, National Seminar

(Karuna Kanta Deka)
Co-ordinator
Organising Committee

(Jyotima Devi)
Convenor
Organising Committee

CERTIFICATE

# UGC SPONSORED NATIONAL SEMINAR

ON

## PHILOSOPHY OF DR BHUPEN HAZARIKA, SOCIO ECONOMIC RELATION ITS IMPACT ON LANGUAGE, LITERATURE & CULTURE

**Department of Assamese Rangia College, Rangia**

Spons : Rashtriya Sanskrit Sansthan, New Delhi

30 & 31st March 2017

*This is to certify that Dr /Mr. /Mrs* Minu Bora, Asstt. Professor, Mangaldai Comerce college

*The National Seminar & He / She Presented the paper entitled* Songs of Dr. Bhupen Hazarika and its impact on Assamese culture, a critical analysis

Dr. Jogesh Kakati
Chairman of the Seminar &
Principal,
Rangia College, Rangia

Dr. Anuradha Goswami
Convenor of the Seminar
Rangia College, Rangia

National Seminar Organising committee
Rangia College, Rangia

ISSN No. 2394-5230

# DEPARTMENTAL JOURNAL

## (ASSAMESE & BODO)

A Multi-Lingual (Assamese, Bodo, English) Research Journal

On

Social Science and Humanities

Volume - 4, Issue - 1, June 2016

**Editor**

Dr. Kaneswar Baruah Mrs. Simani Boro

Gossaigaon College, Gossaigaon, Kokrajhar

Assam (BTAD), India

Pin 783360

 ISSN No. 2394-5230

# অসমীয়া সমাজত প্ৰচলিত স্ত্ৰী লোকাচাৰ ঃ এটি সামগ্ৰিক আলোচনা

মিনু বৰা

লোকাচাৰ হৈছে সমাজত প্ৰচলিত এক বিশেষ আচৰণ। লোকাচাৰ হৈছে 'লোক' অৰ্থাৎ চহা মানুহৰ মাজত প্ৰচলিত পৰম্পৰাগত কিছুমান ৰীতি-নীতি। পুৰণি গ্ৰাম্য সমাজখন কিছুমান পৰম্পৰাগত ৰীতি-নীতিৰে বান্ধ খাই আছিল। যাৰ ফলত সমাজখন সুশৃঙ্খলিত ভাৱে পৰিচালিত হৈছিল। "সাধাৰণ খেতিয়ক গঞা নিৰক্ষৰ, সমাজৰ নিম্নস্তৰ কৃষিজীৱী, হস্তশিল্পৰ ওপৰত নিৰ্ভৰশীল, অনগ্ৰসৰ, মৌখিক পৰম্পৰা আশ্ৰয়ী, বিশ্বাস পৰায়ণ, যাদু আশ্ৰয়ী প্ৰান্তীয় আদিক লোক বা জন বোলে।।"[১] এই লোকসকলে পৰম্পৰাগত ভাৱে পালন কৰি অহা ৰীতি-নীতি সমূহকেই লোকাচাৰ বুলি কোৱা হয়।

অসমৰ অধিবাসীসকল কৃষিজীৱী গতিকে এই লোকসকল নিৰক্ষৰ তথা চহা হোৱাৰ কাৰণে মহাজাগতিক, প্ৰাকৃতিক আৰু মানুহৰ জীৱনত সংঘটিত হোৱা বিভিন্ন পৰিৱৰ্তনবোৰ দেখি আচৰিত হৈছিল। এনে পৰিৱৰ্তন সমূহৰ বৈজ্ঞানিক কাৰণৰ প্ৰতি সম্পূৰ্ণ অজ্ঞ আছিল। সেইবাবে ভয়, বিস্ময় আনন্দ আদি প্ৰকাশ কৰিবলৈ কিছুমান ৰীতি-নিয়ম পালন কৰিছিল। কালক্ৰমত এনেধৰণৰ ৰীতি-নীতি সমূহত বিশ্বাস-অন্ধবিশ্বাসৰ সমাহাৰ ঘটিছিল আৰু লোকাচাৰ ৰূপে সমাজত প্ৰতিষ্ঠিত হৈছিল। কৃষিৰ লগত জড়িত বিভিন্ন লোকাচাৰ, জন্ম, বিবাহ, মৃত্যু ইত্যাদি জীৱন সম্পৰ্কীয় লোকাচাৰ, সামাজিক উৎসৱ অনুষ্ঠান যেনে - বিহু, দেউল, পাচতী, আমতী, মথনী ইত্যাদিৰ সৈতে জড়িত সামাজিক লোকাচাৰ, অপায়-অমঙ্গল নোহোৱাৰ বাবে পালন কৰা লোকাচাৰ সমূহ, দৈনন্দিন জীৱনত পালন কৰা লোকাচাৰ সমূহ ইত্যাদি বিভিন্ন লোকাচাৰ অসমীয়া সমাজত প্ৰচলিত আছে। আমাৰ সমাজখন পিতৃতান্ত্ৰিক সমাজ। সেয়েহে গ্ৰাম্য সমাজৰ স্ত্ৰীসকল ঘৰৰ চাৰিবেৰৰ ভিতৰতেই সীমাবদ্ধ। পৰম্পৰাগত বিশ্বাস-অন্ধবিশ্বাস ইত্যাদিৰ মাজেৰেই তেওঁলোকৰ জীৱনৰ বিভিন্ন পৰিৱৰ্তনৰ মুহূৰ্তত সুখ-দুখ, আনন্দ-উৎসৱ, অপায়-অমঙ্গল এই সকলোবোৰতে স্ত্ৰীসকল বেছি সচেতন হোৱা দেখা যায় আৰু বিভিন্ন বিশ্বাস আৰু পৰম্পৰাৰে ৰীতি-নীতি সমূহ পালন কৰে। পুৱা শুই উঠাৰ পৰা ৰাতি শোৱালৈকে দৈনন্দিন জীৱনৰ কাম-কাজ, আচাৰ ব্যৱহাৰ আদিত স্ত্ৰীসকলৰ ভূমিকা উল্লেখনীয়। সমাজত অনুষ্ঠিত বিভিন্ন উৎসৱ, অনুষ্ঠান ধৰ্মীয় বিশ্বাস পালনত স্ত্ৰীসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। স্ত্ৰীসকলে পালন কৰা এই লোকাচাৰ সমূহৰ মাজত বৈজ্ঞানিক কাৰণো নিহিত হৈ থকা দেখা যায়।

পৰম্পৰাগত নিয়ম অনুযায়ী জন্মৰ সময়ত অসমীয়া সমাজত স্ত্ৰীসকলে বিভিন্ন ৰীতি-নীতি পালন কৰিছিল। গৰ্ভৱতী স্ত্ৰী এগৰাকীয়ে গৰ্ভাৱস্থাৰ সময়ত বিভিন্ন ৰীতি-নীতি মানি চলিব লাগে। উদাহৰণস্বৰূপে সেই সময়ত কোনোবাই কলডিল নাইবা ভৰা কলহৰ পানী খালে প্ৰসৱত কষ্ট পাব নাইবা বমি কৰি থাকিব বুলি বিশ্বাস কৰিছিল। খাদ্য খোৱাৰ সময়ত টুল বা পীৰা আদি বহা আসনখন বহাৰ আগতে লৰাই লোৱা নিয়ম আছিল। সেইদৰে ভাত খাই উঠি খোৱা কাঁহীখন অলপ আগলৈ ঠেলি দি আৰু বহা আসনখন পীৰা হ'লে উঠাই থৈ নাহিলে। প্ৰসৱত কষ্ট পাব বুলি বিশ্বাস কৰিছিল।[২] গৰ্ভাৱস্থাত বাটচ'ৰাত বহা অনুচিত। গৰ্ভৱতীয়ে বেজীৰে কাপোৰ চিলোৱা, তেওঁৰ স্বামীয়ে চুঙাত সোপা দিলে, সন্তান প্ৰসৱৰ সময়ত আহুকালৰ সৃষ্টি হয় বুলি বিশ্বাস কৰে। গৰ্ভৱস্থাৰ তিনিমাহ, পাঁচমাহ, সাতমাহ, আঠমাহ আৰু ন-মাহত কিছুমান লোকাচাৰ পালন কৰা হয়। তিনিমাহত গৰ্ভৱতীয়ে

খাব বিচৰা বস্তু খুৱাব লাগে। পাঁচ মাহত পঞ্চামৃত আৰু সাত মাহত সাতবিধ ব্যঞ্জনাৰে ভাত খুওৱা। ন মাহত নবিধ ব্যঞ্জনেৰে ভাত খুওৱা আদি নিময় আছে। আঠ মাহত বর্ণ হিন্দু লোকসকলে পোহন বিয়া পাতে। কেচুৱা জন্ম সময়তো বিভিন্ন ৰীতি-নীতি স্ত্ৰীসকলক মাজত প্ৰচলিত আছে। সন্তান জন্মৰ পিছত আগতে কলপাত নতুন বস্তাত থোৱা হৈছিল। তাৰপিছত নাভি ছেদ কৰিছিল। কেচুৱাক ঢকা মাৰি দি নাভিচ্ছেদ কৰা হয়, তাৰ পিছত পাচশূল নিজৰ ঘৰৰ চৌহদৰ ৰ'দ নপৰা ঠাইত পুতি থোলা হৈছিল। কেচুৱা জন্মৰ অশৌচ কিছুমানে এঘাৰ দিন আৰু কিছুমানে তেৰদিন পালন কৰে। কেচুৱাৰ জন্মৰ সময়ছোৱাত প্ৰসূতি থকা ঘৰটোৰ দুৱাৰ মুখত বেত, কাঁইটৰ ডাল, জালৰ ছিঙা টুকুৰা আদি থোৱা হয়। থোৱাৰ কাৰণ হৈছে অপদেৱতাই যাতে পাব নোৱাৰে। প্ৰসূতিৰ ওচৰত তুঁহ জুই আৰু গোবৰৰ খুটিৰ জুই ৰখা দেখা যায়। জুইত মাজে মাজে সৰিয়হ আৰু নহৰু ছটিয়াই থাকে। পাঁচদিনত শিশুৰ নামকৰণ কৰা হয় যদিও কোনো ঠাইত এঘাৰ দিন আৰু কোনো ঠাইত এমাহৰ দিনা নামকৰণ কৰা দেখা যায়। এঘাৰ দিনত বা তেৰদিনত ঘৰ দুৱাৰ মচি কাপোৰ-কানি ধুই পৰিষ্কাৰ কৰা হয় আৰু গাঁৱলীয়া সমাজত অশৌচ যোৱা বুলি কোৱা হয়। অৱশ্যে এমাহৰ দিনাহে প্ৰসূতি সম্পূৰ্ণভাৱে শুচি হয়।

জন্মৰ লগত থকাৰ দৰে মৃত্যুৰ লগতো বিভিন্ন লোকাচাৰ সমাজত প্ৰচলিত আছে। জন্মত যেনেদৰে অশৌচ লাগে তেনেদৰে মানুহ এজনৰ মৃত্যু হ'লেও অশৌচ লাগে। এঘাৰ নাইবা তেৰদিন অশৌচ পালন কৰে আৰু সেইকেইদিনত বিভিন্ন লোকাচাৰ পালন কৰা হয়। এগৰাকী নাৰীৰ স্বামীৰ মৃত্যু হ'লে তেওঁ সেন্দুৰৰ ফোঁট ল'ব নোৱাৰে। অশৌচৰ দিনকেইটাত অলংকাৰ পৰিধান কৰিব নোৱাৰে। মৃতকৰ পত্নী-পুত্ৰই এবছৰলৈ কোনো ধৰ্মীয় অনুষ্ঠানত অংশগ্ৰহণ কৰিব নোৱাৰে। অসমৰ অধিকাংশ লোকেই কৃষিজীৱী। গতিকে কৃষিৰ লগত জড়িত বিভিন্ন লোকাচাৰ তেওঁলোকে মানি চলে। প্ৰকৃতিৰ শক্তিবোৰক যেনে - ধুমুহা, বৰষুণ, খৰাং আদিৰ ৰূপক সন্তুষ্ট কৰিবলৈ আয়তীসকলে গোসাঁইঘৰ, খেতিপথাৰ আদিত নাম-প্ৰসঙ্গ কৰে। ভেকুলীৰ বিয়া আদিও অনুষ্ঠিত কৰে। ইয়াৰ উপৰিও বীজ সিঁচা, ভূই ৰোৱা, লখিমী আদৰা আদি বিভিন্ন লোকাচাৰৰ মাজেৰে স্ত্ৰীসকলে পালন কৰে। কৃষিজীৱী অসমীয়া সমাজত গৰুক পূজা কৰা হয়। ব'হাগ বিহুৰ গৰু বিহুৰ দিনা গৰুক গা-পা ধুৱাই নতুন পঘাৰে বন্ধাৰ নিয়ম আজিও বৰ্তী আছে। কাতি বিহুত চাকি জ্বলাই শস্যৰ মঙ্গল কামনা কৰে। লক্ষ্মীপূজাত স্ত্ৰীসকলে ব্ৰত ৰাখি লক্ষ্মীদেৱীক পূজা কৰে।

বিবাহৰ লগত জড়িত বিভিন্ন লোকাচাৰ অসমীয়া সমাজত প্ৰচলিত। অসমীয়া স্ত্ৰীসকলৰ মাজত এই লোকাচাৰ সমূহে জনপ্ৰিয়তা লাভ কৰি আহিছে। বিবাহৰ বাবে দৰাঘৰে কইনা চাবলৈ যোৱাৰে পৰা বিভিন্ন নিয়ম মানি চলা হয়। বিশেষকৈ কইনাক চাবলৈ যোৱাৰ সময়ত ফেঁচা বা কাউৰীয়ে মাত মতা, মেঘে গৰ্জন কৰা, যাত্ৰাপথত মেকুৰী, সাপ আদি পাৰ হোৱা, মৰাশ দেখা আদি অতি বেয়া বুলি বিবেচনা কৰা হয়। বিবাহ অনুষ্ঠিত গাঁৱৰ মুখিয়াল আৰু বয়সস্থ লোকসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে। দৰা-কইনাক হৰগৌৰী, ৰাম-সীতাৰ কল্পনাৰে স্ত্ৰীসকলে বিয়ানাম গায়। ঔপনিৱেশিক কালছোৱাত দৰা-কইনাৰ মাতৃয়ে আয়তীৰ দ্বাৰা পৰিৱেষ্টিত হৈ আদৰি অনাৰ ৰীতি যে প্ৰচলিত আছিল সেই বিষয়ে ৰজনীকান্ত বৰদলৈৰ ঐতিহাসিক উপন্যাস 'দন্দুৱা দ্ৰোহ'ৰ পদ্মকুমাৰীৰ বিবাহ প্ৰসঙ্গত পোৱা যায়।[৩] স্ত্ৰীসকলে পালন কৰা আন এটা উৎসৱ হৈছে পুষ্পোৎসৱ। এই অনুষ্ঠানত অকল স্ত্ৰীসকলেহে অংশগ্ৰহণ কৰে, পুৰুষৰ স্থান নাই। পুষ্পিতা হোৱাৰ লগে লগে ছোৱালীজনী আচুতীয়াকৈ কোঠা এটাত থোৱা হয়। সেই কোঠাটোত পুৰুষৰ প্ৰৱেশ নিষেধ। চাৰিদিন সেই কোঠাৰ ভিতৰত ৰখা হয় আৰু ফল-মূলৰ বাহিৰে বেলেগ খাবলৈ দিয়া নহয়। সেই চাৰিদিনৰ সন্ধিয়া সময়ত অবিয়ৈ ছোৱালী তিনিজনী বা পাঁচজনীয়ে

আগচাউল দি উৰুলি দিয়ে। চাৰিদিনৰ দিনা ৰাতিপুৱা ছোৱালীজনীক কলপুলি পুতি গা ধুৱায়। এই বিয়াৰ প্ৰধান এটা দিশ হৈছে কানাই বা জননি। পুষ্পিতা হোৱাৰ দুদিন বা তিনিদিনৰ দিনা মোমায়েকৰ ঘৰ নাইবা আন কাৰোবাৰ ঘৰত জননি দিয়াৰ নিয়ম। ধুৱাবৰ দিনা জননি দিয়া মানুহ ঘৰৰ স্ত্ৰীসকল আৰু ওচৰ-চুবুৰীয়াৰে দৰাঘৰীয়া হৈ কইনা ঘৰলৈ আহে। কইনাক সেন্দুৰৰ ফোঁট দি আ-অলংকাৰ, কাপোৰ আদি পিন্ধাই কইনা সাজে। জননিটো জপা এটাৰ মূৰত দি আনে। দৰা সাজি অহা ছোৱালী কল, গাখীৰেৰে ভৰি ধুৱায়। জননীটো কইনাৰ কোচত দিয়াৰ নিয়ম আছে। এইটো সন্তানৰ প্ৰতীক। তোলনীয়া বিয়াৰ কইনাজনীয়ে গণকে দিয়া পৰামৰ্শমতে পদুম পাতত হবিষ্যান্ন কৰে আৰু গণকৰ পৰামৰ্শমতে যেইদিন কৰিব দিয়ে সেইকেইটা দিন পালন কৰে। তাৰপিছত তেওঁলোক শুচি হয়। পুৰণি অসমীয়া সমাজখন পৰম্পৰা আশ্ৰয়ী হোৱাৰ লগতে তেওঁলোকৰ মন অন্ধবিশ্বাস আৰু কু-সংস্কাৰেৰে আৱৰি আছিল। সেই সময়ত চিকিৎসালয় আৰু শিক্ষানুষ্ঠানৰ যথেষ্ট অভাৱ আছিল। গ্ৰাম্য সমাজখনত চিকিৎসাৰ প্ৰধান কেন্দ্ৰবিন্দু আছিল বেজ-বেজালি। জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰ মানুহে বেছিকৈ বিশ্বাস কৰিছিল এই অন্ধবিশ্বাসে স্ত্ৰীসকলৰ ওপৰত বেছিকৈ প্ৰভাৱ পেলাইছিল কাৰণ স্ত্ৰী শিক্ষা যথেষ্ট কম আছিল। ব্ৰিটিছসকলৰ আগমনত খ্ৰীষ্টানসকলৰ প্ৰচেষ্টাত গঢ় লৈ উঠা শিক্ষানুষ্ঠান আৰু চিকিৎসালয়ে অসমীয়া সমাজখনত যথেষ্ট প্ৰভাৱ পেলায়।

সাম্প্ৰতিক কালত এই স্ত্ৰী লোকাচাৰ সমূহৰ প্ৰচলন কমি অহা দেখা গৈছে। কাৰণ আমাৰ সমাজ ব্যৱস্থাত আধুনিক সংস্কৃতিৰ প্ৰভাৱ বিদ্যমান। বৈজ্ঞানিক মানসিকতাত এই লোকাচাৰ সমূহ লুপ্ত হ'বলৈ ধৰিছে। চিকিৎসালয়ৰ ব্যৱহাৰ আৰু প্ৰসাৰে গৰ্ভৱতী মহিলাসকলে যথেষ্ট পৰামৰ্শ আৰু সুবিধা লাভ কৰিছে। যাৰফলত পূৰ্বৰে পৰা মানি অহা প্ৰসূতি গৃহত নিয়ম সমূহ শিথিল হৈ পৰিছে। নাভিচ্ছেদৰ প্ৰসঙ্গতো চিকিৎসালয়ৰ পৰামৰ্শ মানি চলাৰ বাবে পাচশূলৰ সৈতে জড়িত নিয়মসমূহ নোহোৱা হৈ গৈছে। বৰ্তমান সমাজত স্ত্ৰী-পুৰুষ উভয়ে শিক্ষিত আৰু উপাৰ্জন মুখী, চহৰমুখী মানসিকতা, ঔদ্যোগিকতা আদিয়ে প্ৰাচীন পৰম্পৰাসমূহৰ প্ৰতি আস্থাহীন কৰি তুলিছে। বিবাহৰ ক্ষেত্ৰটো পূৰ্বৰ প্ৰচলিত পৰম্পৰা এৰি চলিবলৈ ধৰিছে। নাৰীবাদী ধাৰা প্ৰকট হোৱাৰ বাবে নাৰীৰ মৰ্যাদাৰ প্ৰতি সকলো সচেতন হোৱা দেখা যায়। পুৰণি সমাজত নাৰীক বংশ ৰক্ষাৰ নিমিত্তে উৎপাদনৰ আহিলা হিচাবে ভবাৰ পৰিৱৰ্তে সাম্প্ৰতিক কালত নাৰী-পুৰুষ উভয়ে সম-মৰ্যাদা পাবলৈ ধৰিছে। বিবাহৰ ক্ষেত্ৰত ইন্টাৰনেটৰ প্ৰভাৱো পৰিছে। যাৰফলত দৰা-কইনাই নিজাববীয়াকৈ সিদ্ধান্ত গ্ৰহণ কৰে। মৃত্যুৰ সৈতে জড়িত লোকাচাৰতো আধুনিকতাৰ পৰশ পৰিছে। বিধৱা স্ত্ৰীসকলে আজিকালি ৰঙীন সাজ-পাৰ পৰিধান কৰি মুকলি মূৰীয়া জীৱন-যাপন কৰা দেখা যায়। কৃষিৰ ক্ষেত্ৰটো টেক্টৰৰ ব্যৱহাৰ, কৃত্ৰিম জলসিঞ্চন আদিৰ ব্যৱহাৰে প্ৰকৃতি, গৰু ইত্যাদিৰ লগত জড়িত পৰম্পৰাসমূহ নোহোৱা কৰিছে। পূৰ্বৰ অসমীয়া সমাজত স্ত্ৰীলোকাচাৰসমূহে সমাজ আৰু সংস্কৃতিক একত্ৰিত আৰু শৃংখলিত কৰি ধৰি ৰাখিছিল। বৰ্তমান সমাজত এনে লোকাচাৰসমূহ কিছু ক্ষেত্ৰত মানি চলিলেও প্ৰগতিশীল সমাজখনৰ লগত একেলগে খোজ কাঢ়িবলগীয়া হোৱাৰ বাবে পৰম্পৰাসমূহ বহুক্ষেত্ৰত এৰাই চলিবলগীয়া হৈছে। পৰম্পৰা সমূহ শিথিল হোৱাৰ পৰা বিজ্ঞানৰ লগত খোজ মিলাব পাৰিছে। কিন্তু মানুহৰ সামাজিক, নৈতিক, আধ্যাত্মিক মূল্যবোধ মিলাপ্ৰীতি ক্ৰমান্বয়ে নোহোৱা হৈ যাব ধৰাটো কিমান মঙ্গলজনক সুধীসমাজে বিচাৰ কৰিব।

**পাদটীকাঃ**

১. শৰ্মা, নবীন চন্দ্ৰ ঃ লোক সংস্কৃতি
২. ৰেৱতী, দেৱী চহৰীয়া ঃ সংবাদ দাত্ৰী, দক্ষিণচুবুৰী
৩. ভৰালী, শৈলেন ঃ অসমীয়া ঐতিহাসিক উপন্যাস, পৃঃ ৫৩

Peer Reviewed Referred and
UGC Listed Journal
(Journal No. 40776)

# AJANTA

ISSN 2277-5730

AN INTERNATIONAL
MULTIDISCIPLINARY
QUARTERLY
RESEARCH JOURNAL

Volume-VIII, Issue-I
January - March - 2019

Impact Factor / Indexing
2018 - 5.5 www.sjifactor.com

Ajanta
Prakashan

# 19. বিশ্বায়ন আৰু অসমীয়া ভাষা

**মীনু বৰা**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, মঙ্গলদৈ বাণিজ্য মহাবিদ্যালয়

সাম্প্ৰতিক যুগটো হ'ল বিশ্বায়নৰ যুগ। একবিংশ শতিকাত বহুল প্ৰচলিত এই বিশ্বায়নৰ শব্দটো ইংৰাজীত যাক Globalization বুলি কোৱা হয়। বিশ্বায়নৰ অসমীয়া প্ৰতিশব্দ হৈছে গোলকীকৰণ। বিশ্বায়নৰ উদ্দেশ্য হৈছে সমগ্ৰ বিশ্বৰ ভিন ভিন সভ্যতা সংস্কৃতি, ৰীতি-নীতি, সমাজ ব্যৱস্থাৰ ভিন্নতা আতৰাই পৃথিৱীখনক সংকুচিত কৰা। বিশ্বায়নৰ প্ৰভাৱে গোটেই বিশ্বখনক এখন সৰু গাঁৱলৈ ৰূপান্তৰিত কৰিছে। বিশ্বয়নৰ গ্ৰাসত অকাল ভাষা, সাহিত্য-সংস্কৃতিয়ে নহয় সমাজ-নীতি, ৰাজনীতি অৰ্থনৈতিক সকলো দিশকে সামৰি লৈছে। যোৱা শতিকাৰ শেষ দশকত বিশ্বায়নৰ জন্ম হৈছিল। আচলতে পুঁজিবাদী দেশসমূহে সকলো দেশত তেওঁলোকৰ অৰ্থনীতিৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ নতুন নীতিৰ উদ্ভাৱন কৰে। নবেল বঁটা বিজয়ী দুগৰাকী অৰ্থনীতিবিদ ৰবাৰ্ট মাৰ্টন আৰু মায়ৰণ স্কোলে বিশ্বায়ন নামৰ নতুন নীতিৰ সূত্ৰপাত কৰি চমক সৃষ্টি কৰিলে। এই নীতিৰ ফলতেই বিশ্ব বাণিজ্য সংস্থাৰ জন্ম হয় আৰু কেইবাখনো দেশে ইয়াত যোগ দিয়ে। প্ৰথমতে চীনে যোগদান কৰা নাছিল যদিও পিছলৈ যোগদান কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৃষ্ঠপোষকতাত বিশ্ব বেংক, আৰ্ন্তজাতিক মুদ্ৰানিধি, বিশ্ব বাণিজ্য সংস্থা আদি প্ৰতিষ্ঠানৰ নেতৃত্বত সমগ্ৰ বিশ্বজুৰি আৰম্ভ হৈছে বিশ্বায়নৰ প্ৰসাৰৰ যুগ। বিশ্বৰ অৰ্থনৈতিক ভাৱে পিছপৰা দেশসমূহে স্বাভাৱিকতে চহকী দেশসমূহৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। প্ৰতিৰক্ষা আৰু জনসাধাৰণৰ স্বাৰ্থত দুখীয়া দেশসমূহে সহায় নোলোৱাকৈ থাকিব নোৱাৰে।

বিশ্বায়নৰ যিদৰে সুফল আছে, তেনেদৰে কুফলো আছে। মানুহৰ দৈনন্দিন জীৱন যাত্ৰাৰ বিভিন্ন দিশত বিশ্বায়নৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। বিশ্বায়নৰ মূল উদ্দেশ্য বিশ্বক এক কৰা যদিও প্ৰত্যেক খন দেশ, প্ৰত্যেক জাতি জনগোষ্ঠীৰ নিজস্ব পৰিচয় এটা থাকে। বিশ্বায়নৰ প্ৰভাৱত বিশ্বৰ এই নিজস্ব সভ্যতা সংস্কৃতিৰ ক্ষেত্ৰখনত ভাবুকি আহি পৰিছে। বৰ্তমান মানৱ সভ্যতাক বৈজ্ঞানিক প্ৰযুক্তিৰ অনবদ্য অৱদান কম্পিউটাৰে নিয়ন্ত্ৰণ কৰা বুলি কলে হয়তো ভুল নহয়। কম্পিউটাৰ, মোবাইল ফোন, ইন্টাৰনেটৰ ব্যৱহাৰে মানৱ সমাজলৈ পৰিৱৰ্তন আনিছে। মানুহৰ মাজত সময় আৰু স্থানৰ ব্যৱধান কমি গৈছে। ইয়াৰ সুযোগ গ্ৰহন কৰিছে বহুৰাষ্ট্ৰীয় কোম্পানীবোৰে। বিশ্বায়নৰ প্ৰসাৰত মূল ভূমিকা গ্ৰহন কৰা বহুৰাষ্ট্ৰীয় কোম্পানী সমূহে তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহৰ বজাৰ স্বৰূপে বিশ্বৰ অনুন্নত আৰু উন্নয়ণশীল দেশ সমূহক ব্যৱহাৰ কৰিছে। যাৰ ফলত সেই দেশসমূহৰ ভাষা সংস্কৃতিৰ পৰিচয়লৈ দুৰ্যোগ নামি আহিছে।

ভাৰতৰ পূব প্ৰান্তৰত অৱস্থিত উত্তৰ পূৰ্বাঞ্চলত বিশ্বায়নৰ প্ৰভাৱে সমাজজীৱনৰ পৰা আৰম্ভ কৰি লোক সংস্কৃতি, ভাষা ইত্যাদি সকলো ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰা পৰিলক্ষিত হয়। উত্তৰ পূৱৰ জন-জীৱনৰ ভাষা সংস্কৃতিৰ ওপৰত বিশ্বায়নৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। লোক সংস্কৃতিয়ে এটা জাতিৰ স্বকীয় পৰিচয় দাঙি ধৰে। প্ৰত্যেক জাতি জনগোষ্ঠীয়ে নিজস্ব ভাষাৰ জৰিয়তে আবেগ-অনুভূতি প্ৰকাশ কৰাৰ লগতে মত বিনিময় কৰে, সংস্কৃতিৰ চৰ্চা কৰে। বিশ্বায়নৰ প্ৰভাৱত অৰ্থাৎ বজাৰ নিয়ন্ত্ৰণ কৰা শক্তিসমূহে পৃষ্ঠপোষকতা কৰা ইংৰাজীৰ দৰে ভাষাই বিশ্বৰ বহু ভাষাৰ অস্তিত্ব বিপদাপন্ন কৰিছে। বজাৰ অৰ্থনীতিৰ প্ৰসাৰৰ লগে লগে বিশ্বায়নে ভাষাক অৰ্থনৈতিক সামগ্ৰী হিচাবে চাবলৈ বাধ্য কৰিছে। ব্যৱসায়-বাণিজ্য আৰু নানা অৰ্থনৈতিক আৰু ৰাজনৈতিক কাম-কাজত ইংৰাজী ভাষাৰ ব্যাপক আৰু প্ৰভাৱী ব্যৱহাৰৰ ফলত ইংৰাজীয়ে বিশেষ সামাজিক আৰু অৰ্থনৈতিক মূল্য আহৰণ কৰিছে। ভাষা বিজ্ঞানে এই কথা জানে যে ভাষা এটা সুস্থ-সবল হৈ জীয়াই থাকিব লাগিলে সেই ভাষাটো বিভিন্ন প্ৰয়োজনত ব্যৱহাৰ কৰিব পৰা, ভাষাটো পঢ়িব পৰা আৰু লিখিব পৰা মানুহৰ সংখ্যা বাঢ়ি যাব লাগিব। বিশেষকৈ নতুন প্ৰজন্মই ভাষাটো ভালদৰে কব পাৰিলেই নহ'ব পঢ়িব আৰু লিখিব পৰা হ'ব লাগিব। আমাৰ এই গৱেষণা পত্ৰখনিত অসমীয়া ভাষা আৰু শিক্ষাৰ ওপৰত বিশ্বায়নে কেনেদৰে পৰিৱৰ্তন আনিছে সেই বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

**অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

মানুহৰ মনৰ ভাব আদান-প্ৰদানৰ শ্ৰেষ্ঠ মাধ্যম হৈছে ভাষা। ভাষা সদায় পৰিৱৰ্তন হয় অৰ্থাৎ পৰিৱৰ্তনশীল। সামাজিক, ৰাজনৈতিক, ধৰ্মীয়, অৰ্থনৈতিক বিভিন্ন কাৰণত ভাষাৰ পৰিৱৰ্তন হয়। কিন্তু বৰ্তমান সময়ত বিশ্বায়নৰ প্ৰভাৱৰ বাবে বিভিন্ন ভাষা হেৰাই গৈছে।

অতীজৰে পৰা উত্তৰ পূৰ্বাঞ্চলৰ সংযোগী ভাষাৰূপে ব্যৱহাৰ হৈ অহা অসমীয়া ভাষাটোৰ এক প্ৰাচীন ইতিহাস আছে। চহা লোক সমাজৰ অপূৰ্ব সৃষ্টি মৌখিক লোক সাহিত্য, লিখিত সাহিত্যৰ নিদৰ্শন চৰ্য্যাপদ, শংকৰ-মাধৱদেৱৰ কালজয়ী সৃষ্টিৰাজী, চৰিতপুথিৰ গদ্য, বুৰঞ্জীৰ পদ্য আদিৰে চহকী এই ভাষাৰ আছে দীৰ্ঘ কালীন ঐতিহ্য।

ভাষাৰ যোগেদি শিক্ষা আহৰণ কৰা হয়। শিক্ষাৰ আহৰণৰ উৎকৃষ্ট মাধ্যম হৈছে মাতৃভাষা। বিশ্বায়নে বিভিন্ন জনগোষ্ঠীৰ মাতৃভাষাত প্ৰতিবন্ধকতা আনিছে। অসমীয়া ভাষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত ব্যাপক হাৰত গঢ়ি উঠা ইংৰাজী মাধ্যমৰ বিদ্যালয়ে বাধা জন্মাইছে। বিশ্বায়নৰ প্ৰভাৱত আগেয়ে ব্ৰিটিছৰ শাসন কালত ৩৬ বছৰ ধৰি অসমৰ শিক্ষানুষ্ঠান আৰু আদালতত বাংলাভাষা প্ৰৱৰ্তন ( ১৮৩৬-১৮৭২) কৰাৰ ফলত অসমীয়া ভাষা সাহিত্যৰ অপূৰণীয় ক্ষতি হ'ল। ইয়াৰ উপৰিও যোৱা শতিকাৰ সত্তৰ-আশীৰ দশকৰ পৰা শেহতীয়াকৈ বিশ্বায়নৰ প্ৰভাৱত অসমীয়া ভাষাৰ বিকাশত বাধা জন্মিল। কিন্তু পৰিতাপৰ কথা এয়ে যে বিশ্বায়নৰ প্ৰভাৱত অসমীয়া ভাষী লোক সকলৰ মাজত আহি পৰিছে ইংৰাজী ভাষা-প্ৰীতি। আনফালে সৰ্বভাৰতীয় গণ-মাধ্যম যেনে- কথাছবি, টিভি আদিৰ জৰিয়তে হিন্দী ভাষাৰ অগ্ৰাসন ঘটিছে অসমীয়া ভাষাৰ ওপৰত। ইয়াৰ ফলত প্ৰায় ডেৰ হাজাৰ বছৰীয়া লিখিত সাহিত্যৰ ঐতিহ্যৰে মহামন্দিত অসমীয়া ভাষালৈ অস্তিত্বৰ সংকট আহি পৰিছে। অৱশ্যে ইয়াৰ অন্তৰালত বিভিন্ন কাৰণ আছে। এটা প্ৰধান কাৰণ হৈছে আমাৰ ৰাজ্য চৰকাৰৰ ভাষা নীতিৰ দুৰ্বলতা, যাৰ বাবে স্বাধীনতাৰ ইমান বছৰ পিচতো চৰকাৰী কাৰ্য্যালয় সমূহত অসমীয়া ভাষাৰ পৰিৱৰ্তে ইংৰাজী ব্যৱহৃত হৈ আহিছে। বিশ্বায়নৰ প্ৰভাৱত ইংৰাজী ভাষাই তথা ইংৰাজী শিক্ষাৰে শিক্ষিত লোক সকলে যি সমাদৰ লাভ কৰিছে, সিয়ে সমাজৰ অভিভাৱক সকলক আকৰ্ষিত কৰিছে। বৰ্তমান বহুৰাষ্ট্ৰীয় কোম্পানী সমূহত ভাল চাকৰি পাবলৈ ইংৰাজী জনাটো অতি প্ৰয়োজনীয়। অৱশ্যে অন্যান্য বিভিন্ন ক্ষেত্ৰত সৰু-সুৰা চাকৰিতো ইংৰাজী জনা মানুহে গুৰুত্ব লাভ কৰা দেখা যায়। সেয়েহে অভিভাৱক সকলেও সন্তানৰ উজ্জ্বল ভবিষ্যতৰ আশাত অসমীয়া মাধ্যমৰ পৰিৱৰ্তে ইংৰাজী মাধ্যমৰ স্কুলত পঢ়োৱাত গুৰুত্ব দিয়ে। এনেবোৰ কাৰণে নতুন শিক্ষিত ডেকা চামৰ মাজত কিছু পৰিমানে অসমীয়া ভাষা সংস্কৃতিৰ আদৰ কমি আহিছে। বৰ্তমান বিশ্বায়নৰ প্ৰভাৱত নগৰীয়া মধ্যবিত্ত আৰু উচ্চ মধ্যবিত্ত সকলৰ মাজত ইংৰাজী মিহলি অসমীয়া ভাষাৰ প্ৰয়োগ বৃদ্ধি পাইছে। যিটো ভাষাক কোনো কোনো সমালোচকে 'পপ অসমীয়' আখ্যা দিছে। ভাষাৰ ক্ষেত্ৰত বিশ্বায়নে সৃষ্টি কৰা এই সমস্যা অকল যে নগৰীয়া সমাজতহে হৈছে এনে নহয়, গাঁৱৰ লোক সকলো প্ৰভাৱিত হৈছে। অৱশ্যে উচ্চ শিক্ষা খণ্ড আৰু তথ্য প্ৰযুক্তি খণ্ডত অসমীয়া শব্দ ভাণ্ডাৰ তথা কিতাপ পত্ৰৰ সংখ্যাও সন্তোষজনক নহয়। এনেবোৰ কাৰণত যুৱ প্ৰজন্মেয়ো মাতৃভাষাৰ পৰিৱৰ্তে ইংৰাজী ভাষাক প্ৰাধান্য দিয়া দেখা যায়। বিশ্বায়নৰ প্ৰভাৱত অকল অসমীয়া ভাষালৈহে যে এনে অস্তিত্বৰ সংকট আহি পৰিছে এনে নহয়। বিশ্বৰ বিভিন্ন ভাষা এনে সংকটৰ গৰাহত পৰিছে। গৱেষণা পত্ৰ খনত বিশ্বায়নে কেনেদৰে আমাৰ ভাষা-সংস্কৃতিলৈ প্ৰভাৱ বিস্তাৰ কৰি পৰিৱৰ্তন আনিছে সেই বিষয়ে আলোকপাত কৰিবলৈ চেষ্টা কৰা হ'ল।

**গৱেষণা পদ্ধতি ঃ**

বিষয়ৰ অধ্যয়নৰ ক্ষেত্ৰত বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। তথ্য সংগ্ৰহৰ ক্ষেত্ৰত বিষয়ৰ লগত সংগতি ৰাখি বিভিন্ন লেখকৰ গ্ৰন্থৰ সহায় লোৱা হৈছে।

**বিশ্বায়ন আৰু অসমীয়া ভাষাত প্ৰভাৱ ঃ**

বিশ্বায়নৰ প্ৰভাৱত ঘটা অসমীয়া সমাজৰ আৰ্থ-সামাজিক আৰু মনস্তাত্বিক পৰিৱৰ্তনে অসমীয়া ভাষাৰ ওপৰতো প্ৰভাৱ পেলাইছে। সমাজৰ উচ্চ-মধ্যবিত্ত, মধ্যবিত্তৰ পৰা গাঁৱৰ কৃষকলৈ সকলো শ্ৰেণীৰ মানুহৰে আন্তৰাষ্ট্ৰীয় ভাষা ইংৰাজীৰ প্ৰতি বৃদ্ধি পোৱা আকৰ্ষণে অসমীয়া ভাষাত বিভিন্ন ইংৰাজী শব্দৰ আগমন ঘটাইছে। পূৰ্বৰ পৰা প্ৰচলিত শব্দ ভাণ্ডাৰত নিত্য নতুন শব্দৰ প্ৰৱেশ ঘটি দৈনন্দিন জীৱনত ব্যৱহৃত হ'বলৈ ধৰিছে। বিশ্বায়নৰ প্ৰভাৱত ঘটা অৰ্থনৈতিক পৰিৱৰ্তনে মানুহৰ

সাজ-পোচাক, খাদ্য-সম্ভাৰ, আচাৰ-ব্যৱহাৰ, গৃহ নিৰ্মানৰ সজুলি, ঘৰুৱা আচবাব আদিৰ ব্যৱহাৰৰ ক্ষেত্ৰত সমগ্ৰ বিশ্বতে সাৰ্বজনীনতা আনিছে। অসমীয়া সমাজো এই প্ৰভাৱৰ পৰা মুক্ত নহয়। ফলত বিভিন্ন ইংৰাজী শব্দই আমাৰ দৈনন্দিন জীৱনত প্ৰবেশ কৰি ভাষাটোৰ পূৰ্বৰ অবয়ব সলনি ঘটাবলৈ লৈছে। উদাহৰণস্বৰূপে বিশ্বায়নৰ প্ৰভাৱত আজিৰ অসমীয়াই ৰাতিপুৱাৰ সান্দহ, চিৰা, কোমল চাউল, গুৰ, দৈ, গাখীৰৰ জলপান খোৱাৰ পৰিৱৰ্তে ব্ৰেড-বাটাৰ, জেম, কৰ্ণফ্লেক্সৰ ব্ৰেকফাষ্ট কৰে। ঘৰত বনোৱা পিঠা-লাডুৰ স্থান ললে ৰ'ল, ম'ম', পিজা, চাওচাও, ডোচা, ইড্‌লি, পোলাও, বিৰিয়ানিয়ে। আজিৰ প্ৰজন্মৰ মাজত খাৰৰ আঞ্জা, তিতা, ঔ-টেঙা, ভেদাইলতা, মানিমুনিৰ জোল, আলু পিটিকা, মাছ পোৱাৰ জনপ্ৰিয়তা কমিল। ফলত এনেবোৰ খাদ্যৰ লগত জড়িত শব্দৰ পৰিৱৰ্তে ৰ'ল, ম'ম', পিজা জাতীয় খাদ্যৰ নামবোৰ ব্যৱহাৰ হ'বলৈ ধৰিলে। গৃহিনীয়ে ভাত ৰন্ধা পাকঘৰটো হৈ পৰিল সকলোৰে মুখত কিট্‌চেন। শোৱানী কোঠা, আলহী থকা ঘৰ, পঢ়া কোঠা আদি শব্দবোৰ এলাগী হৈ তাৰ ঠাইত ড্ৰইং ৰুম, বেডৰুম, গেষ্টৰুম, বাথৰুম আদি শব্দবোৰ ব্যৱহাৰ হ'বলৈ ধৰিলে। মহা-মাহী, মামা-মামী, খুড়া-খুড়ী, জেঠা-জেঠী, বৰমা-বৰদেউতা, পেহা-পেহী আদি বিভিন্ন সম্বোধনসূচক শব্দৰ স্থান গ্ৰহন কৰিলে আংকল-আন্টিয়ে। আজিৰ ডেকা ল'ৰাই বন্ধু বুলি কোৱাতকৈ 'ইয়াৰ' বুলি কলে বেছি আপোন অনুভৱ কৰা হ'ল। সম্পৰ্কীয় ভায়েকহঁত হৈ পৰিল কাজিন। সাজ-পোচাকৰ ক্ষেত্ৰত আহি পৰা পৰিৱৰ্তনে অসমীয়া শব্দ ভাণ্ডাৰতো প্ৰভাৱ পেলালে। বিশ্বায়নৰ প্ৰভাৱত অসমীয়া সমাজতো সৰ্বভাৰতীয় তথা আন্তঃৰাষ্ট্ৰীয় সুবিধাজনক সাজ-পোচাকৰ জনপ্ৰিয়তা বৃদ্ধি পাবলৈ ধৰিলে। চেলোৱাৰ কামিজ, লেগিংছ, পাটিৱালা, মেক্সি, নাইটি, জিন্স, টি-ছাৰ্ট, লং ফ্ৰক, বাৰ্মুডা, কুৰ্ত্তা আদিৰ ব্যৱহাৰ বৃদ্ধি পোৱাৰৰ লগতে এইবোৰ শব্দই অসমীয়া ভাষাত স্থান ললে। বিশ্বায়নৰ প্ৰভাৱত আজিৰ অসমীয়াই বিভিন্ন 'ডে' পালন কৰা হ'ল। নিজৰ সন্তানৰ ওপজা দিনটোক জন্মদিন বোলাতকৈ বাৰ্থ ডে বুলি কৈ বেছি সন্তোষ পোৱা হ'ল। পতি-পত্নীৰ মাজত মেৰিজ এনিভাৰচাৰি, শিক্ষক-অভিভাৱকৰ মাজত পেৰেন্স ডে উদ্‌যাপিত হোৱাৰ লগতে এইবোৰ শব্দ আমাৰ ভাষাৰ মাজত সোমাই পৰিল। আগৰ আমাৰ মহিলাসকলে দৈনন্দিন কাম-কাজৰ শেষত পতা বিয়নী মেলৰ ঠাই ললে কিটি পাৰ্টীয়ে। আধুনিক বিজ্ঞানৰ ন ন আৱিস্কাৰ, তথ্য-প্ৰযুক্তিৰ উন্নত ব্যৱহাৰে আমাৰ জীৱন ধাৰণৰ মানদণ্ড সুবিধাজনক কৰিছে। ফলত ইয়াৰ লগত জড়িত বিভিন্ন শব্দ যেনে— ফ্ৰীজ, ৰেডিঅ', টিভি, অ'ভেন, এচি, ফেন, লাইট, ইনভাৰ্টাৰ, ম'বাইল, ইন্টাৰনেট, ই-মেইল, ই-লাইব্ৰেৰী, ই-বেংকিং আদি আমাৰ শব্দ ভাণ্ডাৰত সোমাই পৰিছে। এনেদৰে শব্দ ভাণ্ডাৰত অহা পৰিৱৰ্তনে দৈনন্দিন কথোপকথনতো প্ৰভাৱ পেলাইছে। আজিৰ অসমীয়াই ফোন নকৰে, ফোন মাৰে। অফিচৰ পৰা আহি ভাগৰি নপৰে, টায়াৰ্ড অনুভৱ কৰে। নাজানিলে কাৰোবাক আজি কি তাৰিখ নোসোধে, ডেট কি সোধে ইত্যাদি। নতুন প্ৰজন্মৰ মাজত বীৰত্বৰ ক্ষেত্ৰত দম, পৰাক্ৰমৰ ক্ষেত্ৰত লেভেল, খাতিৰ নকৰা অৰ্থত 'কেয়াৰ' কৰিছো নেকি?, কোনো কামত সফলতা নাপালে ফ্লপ মাৰা ইত্যাদি শব্দ সম্ভাৰৰ ব্যাপক প্ৰয়োভৰ দেখা যায়।

শুদ্ধ অসমীয়া ভাষা কওঁতে ইংৰাজী ভাষাৰ দুই এটা শব্দ প্ৰয়োদ কৰি নিজৰ পাণ্ডিত্য প্ৰকাশ কৰিব বিচাৰে, এনে মানসিকতাই অসমীয়া ভাষাৰ ক্ষতি কৰিছে। তদুপৰি অসমীয়া ভাষাৰ শব্দ সম্ভাৰ বিশিষ্টতা, আখৰ-জোঁটনিৰ শুদ্ধ ৰূপ, জতুৱা ঠাচৰ বৈশিষ্ট্য আৰু ভাষাৰ আতিগুৰি নজনাকৈ সৰহ সংখ্যকেই বাতৰি-কাকত, আলোচনী, প্ৰতিষ্ঠান, দুৰদৰ্শন, আকাশবাণী ইত্যাদি মাধ্যমসমূহত ভুলকৈ শব্দ প্ৰয়োগ কৰা দেখা যায়। পেপাৰ খন ৰিডিং কৰি আছো, ফোনত বিজি আছো, ইত্যাদি বিভিন্ন কথালৈ লক্ষ্য কৰিলে দেখা যায় দৈনন্দিন জীৱনৰ বিভিন্ন কথোপকথনত আমি অন্য ভাষাৰ শব্দ ব্যৱহাৰ কৰিছো। বাতৰি কাকত অসমীয়া ভাষাৰ বিভ্ৰাটৰ ৰূপ দেখিবলৈ পোৱা যায়। 'আমাৰ অসম' (৫ ফ্ৰেব্ৰুৱাৰী ২০১২),ৰ বাতৰি কাকত খনৰ নমুনা

পৃষ্ঠা ৫ - ফেনাইল খাই শিশুৰ মৃত্যু, ষ্টাফ ৰিপৰ্টাৰ, তেজপুৰ।

দূৰদৰ্শনৰ ভাষাত ইংৰাজী শব্দৰ যথেষ্ট পৰিমানে ব্যৱহাৰ দেখা যায়। এনেধৰণে শব্দৰ ভিতৰ একৃজাম, ভাৰ্চিটি (university) ইত্যাদি।

অসমীয়া ভাষাৰ বাক্য কিছুমানত ইংৰাজী শব্দৰ ব্যৱহাৰ দুৰদৰ্শনৰ ভাষাত দেখা যায়। মণিৰাম দেৱান ট্ৰেড চেন্টাৰৰ পৰা live কমাৰ্ছৰ গাৰ্লছ হোষ্টেলত অঘটন ইত্যাদি।

বিশ্বায়নে মানুহৰ জীৱনধাৰণৰ প্ৰতিটো ক্ষেত্ৰতে প্ৰভাৱ বিস্তাৰ কৰিছে। আমি যদি লক্ষ্য কৰো অসমৰ শিক্ষাৰ

জগতখনো ইয়াৰ পৰা ব্যতিক্ৰম নহয়। অসমত ক্ৰমান্বয়ে ব্যক্তিগত শিক্ষানুষ্ঠানৰ পৰিমান বৃদ্ধি পায় গৈ আছে। চৰকাৰী বিদ্যালয় সমূহৰ ফলাফল যথেষ্ঠ নিম্নগামী হৈ আছে যাৰ ফলত অভিভাৱকে ব্যক্তিগত স্কুল-সমূহৰ প্ৰতি আকৰ্ষিত হৈছে। অসমৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ ৰাজহ সমূহ বাহিৰলৈ যোৱা নাই যদিও উচ্চ শিক্ষা গ্ৰহনৰ বাবে বহুতো ছাত্ৰ-ছাত্ৰী বাহিৰলৈ যায়। যাৰ ফলত কৌটি কৌটি ৰাজহৰ পৰা অসম বঞ্চিত হৈছে। বিশ্বায়ন শক্তিসমূহে ভাল নম্বৰেই ভাল শিক্ষা বুলি ভবাৰ মানসিকতা সৃষ্টি কৰিছে। পৰীক্ষাৰ নম্বৰেৰে এখন ভাল সমাজ কেতিয়াও হ'ব নোৱাৰে। পৰীক্ষাৰ ভাল নম্বৰে এখন সুস্থ সমাজ কেতিয়াও গঢ়ি তুলিব নোৱাৰে।

এনেদৰে অসমীয়া ভাষা আৰু শিক্ষাত বিশ্বায়নৰ প্ৰভাৱে পৰিৱৰ্তন আনিছে।

**সামৰণি ঃ**

সমাজ আৰু ভাষা সংস্কৃতিৰ পৰিৱৰ্তন এক স্বাভাৱিক প্ৰক্ৰিয়া। কিন্তু ঋণাত্মক পৰিৱৰ্তনে সমাজৰ কোনো উন্নতি সাধন নকৰে। বিশ্বায়নে মানুহৰ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে পৰিৱৰ্তন আনিছে। বিশ্বায়ন পৰিৱৰ্তনে কোনো কোনো ক্ষেত্ৰত সহায় কৰিছে যদিও সামগ্ৰিকভাৱে সমাজ জীৱনত উন্নতিত সহায় কৰা দেখা নাযায়। আচলতে আমি অৰ্থনৈতিক ভাৱে স্বাৱলম্বী হোৱা অতি প্ৰয়োজন। অৰ্থনৈতিক স্বাৱলম্বী হবলৈ কঠোৰ পৰিশ্ৰম আৰু কৰ্মোদ্দমী হ'ব লাগিব। ওপৰৰ আলোচনাত দেখা যায় যে বিশ্বায়নৰ প্ৰভাৱত অসমীয়া ভাষালৈ পৰিৱৰ্তন আহি পৰিছে।

ভাষা বোৱতী নদীৰ দৰে, গতিকে ইয়াৰ গতিক ভেটা দিয়াটো সম্ভৱ নহয়। আনহাতে সময়ৰ লগে লগে হোৱা মানৱ সংস্কৃতিৰ প্ৰগতিয়ে ভাষাকো প্ৰভাৱিত কৰে। বিশ্বায়নে সৃষ্টি কৰা পৰিৱেশত উন্নয়নৰ স্বাৰ্থত ইংৰাজী ভাষাক যি অগ্ৰাসন সৃষ্টি হৈছে তাক বাধা দিয়াটো সম্ভৱ নহয়। কিন্তু বেয়া হ'লেও ইংৰাজী ভাষাৰ এই অগ্ৰাসনে আমাৰ ঐতিহ্যশালী সুৱীয়া ভাষাটো সম্পূৰ্ণৰূপে বিজতৰীয়া কৰি আমাক মিলিত ভাষীৰূপে বিশ্বত পৰিচিত কৰি নোতোলে তাৰ বাবে প্ৰশাসন আৰু জনসাধাৰণ উভয়ে সতৰ্ক হোৱাৰ প্ৰয়োজন।

ভাষাৰ ভবিষ্যৎ নিৰাপত্তা হ'বলৈ হ'লে ভাষাটো কোৱা সকলো লোকে ভালকৈ ক'ব পাৰিব আৰু ভাষাটোত সাক্ষৰ হ'ব। যিসকল লোকে অসমীয়া কব নোৱাৰো বুলি গৰ্ব কৰিব সেই সকলে অসমীয়া ভাষাৰ সংকটৰ সৃষ্টি কৰিব সেইটো সচাঁ। অকল ৰান্ধনিঘৰ, শোৱাকোঠা অসমীয়া কলেই নহয়। তাতকৈ অধিক বহল ক্ষেত্ৰত ভাষাটোৰ উৎকৃষ্ট ব্যৱহাৰ সম্পৰ্কে সচেতন হ'ব লাগিব। শিক্ষাৰ মাধ্যম, চৰকাৰী কাম-কাজৰ মাধ্যম হিচাবে ব্যৱহাৰ হোৱাৰ লগতে আধুনিক বৈদ্যুতিক মাধ্যম আদিতো ভাষাটো ভালদৰে ব্যৱহাৰ হৈ থাকিব লাগিব। ভাষা এটা উৎকৃষ্ট সৃজনখিনি ডিজিটেল ৱেৱচাইট আদিত ইয়াৰ ব্যৱহাৰ হব লাগিব।

**গ্ৰন্থপঞ্জী ঃ**


**দত্ত. অখিল ৰঞ্জন ঃ** বিশ্বায়নৰ আলিদোমোজাত সমাজ-সভ্যতা, পদাতিক প্ৰকাশন, গুৱাহাটী-৩ প্ৰথম প্ৰকাশ, ২০১০ চন।

**অধিকাৰী, শুকদেৱ ঃ** (সম্পা.) বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি, গুৱাহাটী-৩, প্ৰথম প্ৰকাশ, ২০১২ চন

**মুখাৰ্জী, নাজমা ঃ** পপ অসমীয়া প্ৰকাশক, বনলতা, গুৱাহাটী-১ প্ৰথম প্ৰকাশ, ২০১২ চন।

**ড° বিৰিঞ্চি কুমাৰ বৰুৱা ঃ** অসমীয়া ভাষা সংস্কৃতি

**হেম ফুকন ঃ** বিশ্বায়ন, ভাৰতবৰ্ষ আৰু অসম ২০২০



# সাহিত্যত মানৱতাবাদ

সম্পাদক
ড° কৰুণাকান্ত ডেকা

**Sahityat Manabatabad**
This Book is a collection of the papers presented at the UGC sponsored National Seminar on 'Human Values and Creative Literature' held on 23rd and 24th April, 2016, organized by the Department of Assamese, Khoirabari College, Udalguri, BTAD (Assam) in collaboration with North East Rural Development Systems (NRDS Foundation)

Edition: March, 2019 Price : 400/-

ISBN- 978-93-88593-37-3

# সাহিত্যত মানৱতাবাদ

**প্ৰকাশকঃ**
অসমীয়া বিভাগ, খৈৰাবাৰী মহাবিদ্যালয়

**প্ৰথম প্ৰকাশঃ**
মাৰ্চ, ২০১৯

**মূল্যঃ** ৪০০/-

**বেটুপাতঃ**
সঞ্জীৱ বৰা

**গ্ৰন্থস্বত্বঃ**
সম্পাদক

**মুদ্ৰণঃ**
পূৰ্বায়ণ প্ৰকাশন
সাতমাইল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমীপত
গুৱাহাটী-১৪, অসম
Email- purbayonindia21@gmail.com
website: www.purbayonpublication.com
✆ ০৩৬১-২৭০০৯৬৯ ✆ ৯৮৬৪৪২২১৫৭

# ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ "জীৱনৰ বাটত" উপন্যাসত মানৱীয় মূল্যবোধ

**মিনু বৰা**
সহকাৰী অধ্যাপিকা, মঙলদৈ বাণিজ্য মহাবিদ্যালয়

সাহিত্য হৈছে সমাজৰ দাপোণ স্বৰূপ। পৃথিৱীৰ সকলো শিক্ষিত জাতিৰ মাজত সাহিত্য আছে। সাহিত্যই একোটা জাতিৰ পৰিচয় দাঙি ধৰে। সেইবাবে কোনো দেশ বা জাতিৰ সাহিত্য অধ্যয়ন কৰিলে সেই দেশ বা জাতিৰ সভ্যতা সংস্কৃতি বা সমাজৰ স্বৰূপ সম্পৰ্কে জানিব পৰা যায়। সাহিত্য, সংগীত আদি কলাবিহীন মানুহ পশুৰ নিচিনা বুলি কোৱা হয়। গতিকে সভ্য মানুহৰ কাৰণে সাহিত্য অপৰিহাৰ্য্য। সাহিত্যৰ সম্বন্ধ প্ৰধানকৈ মানুহৰ জীৱন আৰু কাৰ্যাৱলীৰ লগত। মানুহে জীৱনত কি কি দেখিলে, কি কি অভিজ্ঞতা লাভ কৰিলে, সেই অভিজ্ঞতা সম্বন্ধে মানুহৰ ধাৰণা কি, মানুহৰ সুখ-দুখ, হাঁহি-ধেমালি ইত্যাদি লৈ সাহিত্যৰ সৃষ্টি।

মানুহে নিজৰ সুখ-দুখ, অভাৱ অভিযোগ আদিৰ অনুভূতি প্ৰকাশ কৰিবলৈ বিচাৰে। কাৰণ মানুহ হ'ল সামাজিক প্ৰাণী। মানুহৰ অন্তৰৰ কথা ব্যক্ত কৰি আনৰ সহানুভূতি বিচৰাতেই সাহিত্য, কলা আৰু সঙ্গীতৰ সৃষ্টি। মানুহৰ অন্তৰৰ কথাতে ব্যস্ত নাথাকে। আমাৰ ওচৰে-পাঁজৰে থকা আন মানুহ, তেওঁলোকৰ জীৱন, আশা-আকাংক্ষা, তেওঁলোকৰ আচাৰ-ব্যৱহাৰ আদি জানিবলৈ বিচাৰো। যেতিয়াই লেখকসকল নিজৰ কথা নকৈ আনৰ কথা ক'ব বিচাৰে তেতিয়াই উপন্যাস, নাটক বা জীৱনী সাহিত্য, মহাকাব্য আদিৰ সৃষ্টি হয়।

মানুহৰ অন্তৰৰ কথা সৌন্দৰ্যবোধে যেতিয়া প্ৰকাশিত হৈ সুন্দৰ আকাৰ লয় তেতিয়াই সাহিত্যই কলাৰূপে দেখা দিয়ে। ব্যক্তিগত বা সামাজিক জীৱনৰ নানা ফালবোৰ সাহিত্যৰ মূল বস্তু। ব্যক্তিগত নাইবা সামাজিক জীৱনৰ নানা দশা-কুদশা নানা ফাল, নানা অভিজ্ঞতাক ভালধৰণে সজাব নোৱাৰিলে প্ৰকৃত সাহিত্য হ'ব নোৱাৰে। দেশ-কাল ভেদে বেলেগ বেলেগ মানুহ থাকিলেও সকলো মানুহৰ অন্তৰত কিছুমান চিৰন্তন অনুভূতি আছে। ভালপোৱা, ঘৃণা, আনন্দ, নিৰানন্দ, ভয়, বিশ্বাস এইবোৰ মানুহৰ স্বভাৱত আৱশ্যকীয় অংশ। সাহিত্য ঘাইকৈ মানুহৰ সাধাৰণ অনুভূতি আৰু স্বভাৱক লৈ ব্যস্ত। সেইকাৰণেই কোৱা হৈছে ভাল সাহিত্য কোনো জাতীয় সীমাৰ ভিতৰত আবদ্ধ নাথাকে, মানৱতাৰ সীমাই সাহিত্যৰ সীমা।

মূল্যবোধ শব্দটো সামাজিক দৃষ্টিকোণৰ পৰাহে বিচাৰ কৰা হয়। আমাৰ সামাজিক জীৱন সুস্থভাৱে পৰিচালনা কৰিবৰ বাবে নাইবা সামাজিক জীৱন নিয়ন্ত্ৰণৰ বাবে যিবোৰ নীতি নিৰ্দেশনা আছে সেইবোৰেই মূল্যবোধ। মানুহৰ জীৱনৰ কিছুমান নীতি-নিৰ্দেশনা যিবোৰ মানুহৰ দৈহিক, মানসিক উন্নতি তথা সমাজৰ হিতকৰ। সমাজ এখনত প্ৰচলিত ধৰ্মীয় বিশ্বাস জীৱন দৰ্শন, আচাৰ-ব্যৱহাৰ ইত্যাদি সকলোবোৰ মূল্যবোধে সামৰি লয়। মানবীয় মূল্যবোধৰ ধাৰণাই এই আটাইবোৰ দিশেই সামৰি লয়।

**আলোচনাৰ উদ্দেশ্য ঃ**

(১) এই আলোচনাৰ জৰিয়তে মানৱতাবোধেৰে উজ্জীৱিত সাহিত্যই মানৱ সমাজক যাতে জীৱনৰ প্ৰকৃত সম্বন্ধ দিব পাৰে।

**আলোচনাৰ পদ্ধতি ঃ**

আলোচনাৰ পদ্ধতি সম্পূৰ্ণৰূপে বৰ্ণনামূলক আৰু বিশ্লেষণাত্মক। আলোচনা পত্ৰখনি প্ৰস্তুতৰ বেলিকা কেইখনমান গ্ৰন্থ আৰু প্ৰবন্ধৰ আশ্ৰয় লোৱা হৈছে।

**পৰ্য্যালোচনা ঃ**

উপন্যাস হৈছে বাস্তৱৰ আধাৰত লিখা এক দীৰ্ঘতম কলাশিল্প। মানুহৰ জীৱনৰ সৰু-বৰ ঘটনাৰ পৰা আৰম্ভ কৰি আধ্যাত্মিক জীৱনৰ বিভিন্ন গভীৰ তত্ত্ব লৈকে উপন্যাসৰ বিষয় নিৰ্ধাৰিত হ'ব পাৰে। অসমীয়া সাহিত্যত এইবিধ সাহিত্যৰ জন্ম হয় পাশ্চাত্য সাহিতৰ প্ৰভাৱত। বিশেষকৈ বেপ্টিষ্ট মিচনাৰী সকলৰ চেষ্টাত ১৮৪৬ খ্ৰীষ্টাব্দত প্ৰকাশিত অৰুনোদই সংবাদ পত্ৰখনে আধুনিক অসমীয়া সাহিত্যৰ বাট মুকলি কৰে। খ্ৰীষ্টিয়ান লেখক এ. এক. গাৰ্ণিৰ অনুদিত কামিনীকান্ত (১৮৭৭) এলোকেশী বেস্যাৰ কথা (১৮৭৭) আৰু শ্ৰীমতী গাৰ্ণিৰ বাংলাৰ অনুদিত 'ফুলমনি আৰু কৰুণা'ৰ কাহিনী। এই তিনিওখনক অসমীয়া উপন্যাসৰ প্ৰস্তুতিপৰ্বৰ চিন বুলি ক'ব পাৰি। ইয়াৰ পিছতেই সুধৰ্মাৰ উপাখ্যান প্ৰকাশ পায়। পদ্মাৱতী দেৱী ফুকননীৰ 'সুধৰ্মাৰ উপাখ্যান'ক অসমীয়া উপন্যাসৰ বাটকটীয়া

বুলি ক'ব পাৰি। প্ৰকৃততে পদ্মনাথ গোহাঞিঃ বৰুৱাৰ 'ভানুমতী' (১৮৯৯) প্ৰথম অসমীয়া আধুনিক উপন্যাস।

দ্বিতীয় মহাযুদ্ধ শেষ হৈ যোৱাৰ লগে লগে উপন্যাস সাহিত্যত পৰিৱৰ্তন আহিবলৈ ধৰিছে। পূৰ্বৰ পৰা চলি অহা ৰোমাণ্টিক আৰু ঐতিহাসিক কাহিনীৰ বিপৰীতে সামাজিক জীৱনৰ ঘটনা আৰু অভিজ্ঞতাৰে অসমীয়া উপন্যাসৰ ঠাই ল'বলৈ আৰম্ভ কৰিলে। ৰক্ষণশীল সমাজৰ লগত প্ৰগতিকামী সমাজৰ দ্বন্দ্ব, শাসন পদ্ধতিৰ বেমেজালি, আভিজাত্যৰ অহংকাৰ, দুখীয়াৰ ওপৰত ধনীৰ অত্যাচাৰ, শোষণ আদিৰ পটভূমিত সুখ-দুখ, প্ৰেম-প্ৰীতিৰ আশা-আকাংক্ষাৰ বিভিন্ন চিত্ৰ উপন্যাসৰ মাজেৰে প্ৰকাশ হ'বলৈ ধৰিলে। দ্বিতীয় মহাসমৰৰ পিছত উদ্ভৱ হোৱা ঔপন্যাসিকসকলৰ ভিতৰত ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ নাম ল'ব পাৰি।

অসমীয়া উপন্যাসৰ গতিধাৰাত ৰসোত্তীৰ্ণ অৱস্থা লাভ কৰিবলৈ সক্ষম হোৱা উপন্যাস সমূহৰ ভিতৰত ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাট'ত উপন্যাসৰ নাম ল'ব পাৰি। "ড° বিৰিঞ্চি কুমাৰ বৰুৱাই 'জীৱনৰ বাটত' উপন্যাসত অসমীয়া চহা জীৱনৰ খুঁটি-নাটি, গাঁৱলীয়া আচাৰ-অনুষ্ঠানৰ বৰ্ণনা, বিভিন্ন চৰিত্ৰৰ হাঁহি-কান্দোন, কামনা-বাসনাৰ মাজেৰে মানৱীয় মূল্যবোধৰ চিত্ৰ সুন্দৰভাৱে অংকন কৰিছে। উপন্যাসৰ মাজত জীৱনৰ কথা কলাসুলভভাৱে উপস্থাপন কৰা হয়। বিৰিঞ্চি কুমাৰ বৰুৱাৰ জীৱনৰ বাটত উপন্যাসখনত কলাসুলভ গুণৰ লগতে মানৱীয় প্ৰমূল্য এনে ধৰণে দাঙি ধৰিছে যে আজিও উপন্যাসৰ শ্ৰেষ্ঠতা জিলিকি আছে। মানৱ জীৱনৰ মাজতেই উপন্যাসৰ কাহিনী সোমাই থাকে। দ্বিতীয় মহাযুদ্ধৰ ধ্বংসলীলাই চুই যোৱা অসমৰ গাঁৱলীয়া জীৱনৰ পটভূমিত ৰচিত উপন্যাসখনত সমাজৰ ৰীতি-নীতি, চিন্তা-চৰ্চা, ধ্যান-ধাৰণা চৰিত্ৰসমূহৰ মাধ্যমেৰে দাঙি ধৰিবলৈ চেষ্টা কৰিছে। গাঁৱলীয়া সমাজখনত থকা প্ৰমূল্যক সুন্দৰভাৱে দাঙি ধৰিছে। এই অমূল্য গ্ৰন্থখনৰ বিশালতা আৰু বিচিত্ৰতাৰ বাবে ড° সত্যেন্দ্ৰনাথ শৰ্মাই এইদৰে মন্তব্য কৰিছে "তেখেতৰ জীৱনৰ বাট"ত যুদ্ধোত্তৰ কালছোৱাৰ উপন্যাস সাহিত্যৰ সিংহদুৱাৰ স্বৰূপ।

বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' উপন্যাসখন প্ৰথমখন সাৰ্থক আধুনিক উপন্যাস হিচাপে স্বীকৃতি লাভ কৰিছে। কাৰণ অসমীয়া চহা জীৱন শৈলীৰ সাৰ্থক ছবি এখনি উপন্যাসখনেৰ কাহিনী আৰু চৰিত্ৰৰ মাজেৰে সুন্দৰভাৱে প্ৰতিফলিত হৈছে। অসমীয়া সমাজ জীৱনত প্ৰতি ৰন্ধ্ৰে ৰন্ধ্ৰে সোমাই থকা লোকগীত, বিহুগীত আদিৰ মাজত প্ৰতিফলিত হোৱা আৱেগিক চিন্তা-চৰ্চা কলাসুলভ ৰূপত নাৰীৰ মাধ্যমেৰে প্ৰকাশ ঘটিছে। 'জীৱনৰ বাটত' এটা শতাব্দীৰ ইতিহাস প্ৰতিফলিত হৈছে। ড° নগেন শইকীয়াই কৈছে - "মৌজাদাৰৰ ঘৰৰ পয়োভৰৰ পৰা আহিনীৰ ঘৰৰ বাঢ়নীটাৰলৈকে সকলোতে লিখকৰ দৃষ্টিৰ পোহৰ সমানে পৰিছে।

মৰঙি মৌজাৰ মৌজাদাৰ ভোগদত্তৰ জীয়েক আইদেউৰ বিয়াত গাঁওখনৰ সকলোৱে উঠিপৰি লাগিছিল। এই বিয়াখনতেই বাপুৰাম বৰাৰ একমাত্ৰ জীয়েক তগৰ আৰু মৌজাদাৰ পুত্ৰ কৃষ্ণদত্তৰ বন্ধু আৰু ডিব্ৰুগড়ৰ কাছাৰীৰ কেৰাণী মহীকান্তৰ পুত্ৰ কমলাকান্তৰ চিনাকী হৈছিল। বিয়াৰ সেই উখল-মাখল পৰিবেশৰ মাজতেই কমলাকান্তই তগৰৰ আঙুলিত নিজৰ নাম লিখা আঙুঠি এটা পিন্ধাই দিয়ে। আধুনিক শিক্ষাৰে শিক্ষিত যুৱক কমলাকান্তই একো নভবাকৈয়ে এনেদৰে আঙুঠি পিন্ধালে আৰু কেইদিনমানৰ পিছত তগৰক পাহৰি পেলালে। পিছত ৰায় বাহাদুৰ মানিক হাজৰিকাৰ কন্যা সুপ্ৰভাক বিয়া কৰাইছিল। কিন্তু তগৰে প্ৰথম প্ৰেম কমলাকান্তক পাহৰিব পৰা নাছিল। ইতিমধ্যে তগৰৰ মাকে সংসাৰ ত্যাগ কৰিছিল। দেউতাক বাপুৰামে উইভিং মাষ্টৰ ধৰণীলৈ তগৰক বিয়া দিয়ে। বিয়াৰ পিছত তগৰে এজনী সুগৃহিণী হিচাপে স্বামীৰ সেৱা, শাহুৰেকৰ সেৱা আৰু নিজ সন্তান কমলাৰ সকলো দায়িত্ব পালন কৰিছিল। ধৰণীৰ মাকৰ মৃত্যুৰ পিছত ধৰণীৰ পত্নী হিচাপে সকলো দিশতে সহায় কৰিছিল। ভাৰতীয় নাৰীৰ আদৰ্শৰে তগৰে সকলো পালন কৰি গৈছিল যদিও স্বামীৰ মৃত্যুৱে তেওঁৰ জীৱন দুখময় কৰি তুলিছিল। তগৰে মানুহৰ মিছা বদনাম কিছুমান পালেও গোলাপ ডাক্তৰৰ সহানুভূতিয়ে সাহস যোগাইছিল। উপন্যাসখনৰ নায়ক কমলাকান্ত চাকৰিৰ দায়িত্বত সেই ঠাইলৈ হাকিম হৈ আহিল। ঘৈণীয়েক সুপ্ৰভাক তাঁতশালৰ কামত সহায় কৰিবলৈ তগৰ গৈছিল। কমলাকান্তৰ ঘৰত চুৰি হোৱাৰ বাবে তগৰৰ ঘৰৰ পৰা কমলাকান্তৰ নাম লিখা আঙুঠিটো উদ্ধাৰ হোৱাৰ পাছত আঙুঠিটো দেখি কমলাকান্তৰ স্মৃতি জীৱন্ত হৈ উঠিছিল।

'জীৱনৰ বাট'ত উপন্যাসৰ দ্বিতীয় মহাযুদ্ধৰ ধ্বংসলীলাই চুই যোৱা গাঁৱৰ নিম্ন মধ্যবিত্ত সমাজ আৰু চহৰৰ মধ্যবিত্ত সমাজৰ নীতি-বিবেক, জীৱনবোধ ধ্যান-ধাৰণা আদৰ্শৰ ছবি ফুটাই তুলিছিল। বাস্তৱ জীৱনৰ পৰা অলপো লুক-ঢাক নকৰাকৈ চৰিত্ৰসমূহ অংকন কৰিছে। 'সাধাৰণ মানুহৰ সুখ-দুখ, আশা-আকাংক্ষা, আবেগ-অনুভূতি সহৃদয়তাৰে আৰু কলাসুলভভাৱে পোনপ্ৰথমে এই উপন্যাসত দাঙি ধৰা হয়।'[১] উপন্যাসখনত নগাঁও জিলাৰ ৰহা অঞ্চলক কেন্দ্ৰ কৰি ৰচনা কৰিলেও অসমীয়া পাৰিবাৰিক জীৱনৰ দন্দ আৰু গ্ৰাম্য জীৱনৰ কথাই বেছিকৈ স্থান দখল কৰিছে। ৰেল ষ্টেচনৰ পৰা গৰু গাড়ীলৈ চহৰৰ উচ্চ শিক্ষাৰ বাবে কৃষ্ণদত্তৰ গাঁৱৰ শৈশৱৰ বন্ধুৰ লগত বিচ্ছেদ, তাঁতশাল, বান্ধনিঘৰ, পুখুৰীপাৰ, নওলামুখ আদি অসমীয়া গ্ৰাম্য জীৱনৰ চিত্ৰ জিলিকি উঠিছে। উপন্যাসখনে অসমীয়া সাধাৰণ পাঠকৰ হৃদয় স্পৰ্শ কৰিছে আৰু তগৰৰ জীৱনৰ কাৰুণ্যই অন্তঃ শ্ৰোতা নিজৰাৰ দৰে বোৱাই ৰাখিছে।

তগৰ উপন্যাসখনৰ নায়িকা। তগৰে অপৰিসীম কষ্ট, ত্যাগ আৰু সাহসেৰে জীৱনৰ সমস্যাসমূহৰ সন্মুখীন হৈছিল। অসমৰ সাধাৰণ গাঁও এখনৰ ধূলি-মাকতি, বোকা-পানী

গচকি ডাঙৰ-দীঘল হোৱা তগৰ যৌৱনত ভৰি দিছিল। তগৰৰ যাত্ৰাপথ অতি দুৰ্গম আছিল। মাকৰ মৃত্যু কমলাকান্তৰ লগত সংসাৰ গঢ়াৰ সপোন ভঙ্গ, উইভিং মাষ্টৰ ধৰণীৰ লগত বিবাহ, কমলিৰ জন্ম আদি সকলো ঘটনাৰ তগৰে সন্মুখীন হৈছিল। ধৰণীৰ ঘৰত প্ৰথম দিনাৰে পৰা শাহুৱেকৰ যথাযথভাৱে তগৰে সেৱা-সন্মান ধৰিছে (পৃঃ৯৮)। এইজনী তগৰেই শাহুয়েক আহিনীৰ অত্যাচাৰ, ধৰণীৰ লগত সংসাৰৰ সপোন পূৰণ নোহোৱা আদি নানা ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈছে। গোলাপ ডাক্তৰৰ শিপিনী সংঘত যোগ দিয়াৰ পিছত নানা মিছা অপযশৰ সন্মুখীন হৈছে। গাঁৱলীয়া জীৱনৰ সাধাৰণ শিক্ষা আৰু নৈতিক আদৰ্শৰে ডাঙৰ-দীঘল হোৱা তগৰ চৰিত্ৰটোৰ মাজত সহজ-সৰলতা, সহৃদয়তা, বিশ্বাস আদি দিশবোৰ ফুটি উঠিছে। অৱশ্যে বাস্তৱ জীৱনত লাভ কৰা নানান সংঘাতৰ বাবে কেতিয়াবা তগৰৰ ধৈৰ্যৰ বান্ধ শিথিল হৈ পৰে। তগৰে কান্দি কান্দি কৈছিল - 'হে প্ৰভু আমাক উচন্ন কৰা, আজিয়েই আমাৰ দুয়োটাকে মাৰি নিয়া। মোক আৰু কিমান কষ্ট খাবলৈ জীয়াই ৰাখা? মাৰি নিয়া প্ৰভু, মাৰি নিয়া' (২৩০) অসমৰ গাঁৱৰ এগৰাকী জীয়ৰীৰ গাত থাকিব লগা আটাইবোৰ গুণেৰে তগৰ বিভূষিতা আছিল। তগৰ, তগৰ ফুলৰ দৰে বগা পবিত্ৰ। তাইৰ গুণ চাৰিওফালে বিয়পি পৰিছিল। সেইদৰে তগৰৰ জীৱনত মানৱীয় মূল্যবোধৰ দিশটো প্ৰকট হৈ উঠিছিল।

উপন্যাসখনত আহিনীৰ চৰিত্ৰটো এটা জটিল চৰিত্ৰ। আহিনীৰ জটিলতা সৃষ্টিত গাঁৱৰ জেতুকী আদি তিৰোতাবোৰে কৰা কাৰ্য্যই সহায় কৰিছিল। আহিনীৰ স্বামীৰ জ্বৰত মৃত্যু হোৱাত ধৰণীক পাঁচ বছৰৰ বয়সৰ পৰাই গএগ্ৰা ৰাইজৰ সহযোগত ডাঙৰ-দীঘল কৰিলে। মৰমৰ পুতেকে মাকৰ অনুমতি নোহোৱাকৈ তগৰৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰাত মাকৰ মনত অন্তৰ্দ্বন্দৰ সৃষ্টি কৰিছিল। কলিতা ঘৰৰ ল'ৰাই উজনিৰ যাৰে-তাৰে ঘৰৰ ছোৱালী আনিলে বংশৰ কলংক হ'ব। ধুনীয়া পত্নীয়ে মাকৰ ওচৰৰ পৰা লৈ যাব বুলি ভয় কৰিছিল। সেয়েহে তগৰক অত্যাচাৰ কৰিছিল। কিন্তু কমলিৰ জন্মই সেই সংঘাত নোহোৱা কৰিছে।

উপন্যাসখনিত সুপ্ৰভাই তগৰক জীৱনৰ পৰা আঁতৰাই পঠাইছিল। কমলাকান্তৰ কোনো মানৱীয় অনুভূতি নথকাৰ বাবে এটা সহজ ঘটনা হিচাপে তগৰক পাহৰি পেলাইছে। সুপ্ৰভাই মিছা ভেম, মিছা সুখ বিচাৰি থকাৰ বাবেই জীৱনটো উপভোগ কৰিব পৰা নাছিল।

'জীৱনৰ বাটত' উপন্যাসখনত স্বাধীনতা আন্দোলনৰ সুন্দৰ ছবিও ফুটি উঠিছে। তগৰৰ স্বামী ধৰণী জনাজাত নেতা হোৱাৰ বাবে ঘৰখন আন্দোলনৰ কেন্দ্ৰস্থল আছিল। জনসাধাৰণৰ ইচ্ছাত ধৰণীয়ে আত্মগোপন কৰাত তগৰক থানালৈ মাতি আনিছিল। তগৰক থানালৈ অনা শুনি গাঁৱৰ ল'ৰা, বুঢ়া, মুনিহ, তিৰোতা সকলো থানালৈ ওলাই আহিছিল। কিয় ব'লাহক সোমাই ব'লা, দাৰোগাক নেলু চেপা দি উলিয়াই আনোহঁক। নীতি আদৰ্শৰ

লগতে গাওঁৰ মানুহৰ একতা, মিলাপ্ৰীতিৰ সুন্দৰ চিত্ৰ ফুটি উঠিছে।

অসমীয়া তাঁতশালৰ কথা উপন্যাসখনত সুন্দৰভাৱে প্ৰতিফলিত হৈছে। ধৰণী মাষ্টৰে কৈছিল - নিজৰ প্ৰয়োজনীয় কাপোৰ-কানি বোৱাৰ বাহিৰেও মানুহৰ লাগতিয়াল কাপোৰ ব'বলৈ শিপিনীসকলক বুদ্ধি পৰামৰ্শ দিলে। (পৃঃ ১১৯-১২০)

বীনা বৰুৱাৰ 'জীৱনৰ বাট'ত উপন্যাসখনত সমাজ চেতনা বিচাৰি পোৱা যায়। চহৰৰ উচ্চ শিক্ষিত কমলাকান্তই মৌজাদাৰৰ ঘৰৰ বিয়াত আহি তগৰক আঙুঠি পিন্ধাইছিল তেতিয়া তগৰে কৈছিল - "আপুনি মোৰ সৰ্বনাশ কৰিলে কিয় ?" কমলাকান্তৰ দৰে যুৱক এজনে প্ৰেমত পৰিব পাৰে কিন্তু ভৱিষ্যতৰ কথা ভাবিব নোৱাৰে। কমলাকান্তই তগৰৰ বুকুত জ্বলোৱা জুইত তগৰ গোটেই জীৱন দগ্ধ হৈ যন্ত্ৰণা ভোগ কৰিছিল।

উপন্যাসত গোলাপ ডাক্তৰৰ চৰিত্ৰৰ মাজেৰে গাঁৱৰ চিকিৎসালয় সমূহৰ অভাৱ-অভিযোগ, ৰোগীসকলৰ দুৰৱস্থা আদি সুন্দৰভাৱে ফুটাই তুলিছে। গাঁৱৰ ডাক্তৰখানা মানুহৰ যাদুঘৰ তাত হাঁহি আছে, কান্দোন আছে, আনন্দৰ ৰোল আছে, বিষাদৰ হা-হুমুনিয়াহ আছে। গোলাপ ডাক্তৰে মানৱ সেৱা বুলি মানি ডাক্তৰী সেৱা আগবঢ়াইছিল।

বিৰিঞ্চি কুমাৰ বৰুৱাৰ সামাজিক, সাংস্কৃতিক পৰিবেশ আৰু প্ৰমূল্যগত মানৱ জীৱনবোধৰ পৰিচয় থকা বাবে উপন্যাসখনৰ মাজেৰে সুন্দৰভাৱে প্ৰকাশ কৰিছে। মানৱীয় মূল্যবোধৰ প্ৰতিচ্ছবিৰে মুখৰিত উপন্যাসখনে সকলোকে আকৰ্ষণ কৰিববলৈ সক্ষম হৈছে। সমাজৰ বিভিন্ন দিশৰ প্ৰতি চেতনা প্ৰকাশ কৰাই সমাজ চেতনা। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ সমাজ চেতনা সুন্দৰভাৱে প্ৰকাশ পাইছে। চহৰৰ উচ্চশিক্ষিত কমলাকান্তই মৌজাদাৰৰ ঘৰত বিয়াত আহি তগৰৰ হাতত এটা আঙুঠি পিন্ধাইছিল। তগৰে তেতিয়া কৈছিল - আপুনি মোক সৰ্বনাশ কৰিলে কিয়? (পৃঃ ২১)। এই সংলাপটোৰে তগৰৰ মাজেৰে সামাজিক চেতনা সুন্দৰভাৱে প্ৰকাশ পাইছে। কমলাকান্তৰ দৰে ল'ৰা এজনে প্ৰেমত পৰে, কিন্তু নিজস্ব প্ৰতিশ্ৰুতি ৰাখিব নোৱাৰে। ঔপন্যাসিকৰ সামাজিক, সাংস্কৃতিক পৰিৱেশ আৰু প্ৰমূল্যগত জীৱনবোধৰ প্ৰতি সচেতনতা উপন্যাসখনৰ মাজেৰে সুন্দৰভাৱে প্ৰকাশ পাইছে।

**প্ৰসঙ্গ পুথি ঃ**

১) বিৰিঞ্চি কুমাৰ বৰুৱা ঃ 'জীৱনৰ বাটত'
২) ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত
৩) ড° মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা
৪) ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া উপন্যাসৰ গতিধাৰা

*****

# Anveshanam

Editors
*Dr Geeta Kalita Lahkar*
*Dr Narmada Nath*
*Dr Bhaskar Jyoti Barthakur*

**ANVESHANAM:** A book on multilingual article edited by Dr Geeta Kalita Lahkar, Dr Narmada Nath & Dr Bhaskar Jyoti Barthakur and published by ***Mazbat College on behalf of Panchajanya Books,*** Bamunimaidam, Guwahati- 781021 and Printed at **Panchajanya Printing & Publishing,** Bamunimaidam, Guwahati- 781021

ISBN : 978-81-962226-2-8

**Publisher** : Panchanjanya Books, Bamunimaidam, Guwahati-781021 on behalf of Mazbat College

**First Publication** : May, 2023

**© Research Promotion Cell, Mazbat College.**

**Cover Page** : Hiranjit Talukdar

**Price** : Rs. 500.00 Only

**Printed at** : Panchanjanya Printing & Publishing, Bamunimaidam, Guwahati-781021

No part of this publication should be reproduced, stored in a retrieval system, or transmitted in any form or by any means, electronic, mechanical, photocopying, recording and/or otherwise without the prior permission of the editors.

**Note:** Research Promotion Cell, Mazbat College does not take any responsibility for any mistakes/errors incorporated in the article of the authors, either in setting, grammatical, printing of text or visuals.

# "বিশ্বায়ন আৰু মূল্যবোধৰ অবক্ষয়" —এটি আলোচনা

মিনু বৰা
অসমীয়া বিভাগ, সহকাৰী অধ্যাপিকা
মঙলদৈ বাণিজ্য মহাবিদ্যালয়

<u>অৱতৰনিকা</u>ঃ- একবিংশ শতিকাৰ বহুল প্ৰচলিত শব্দটিয়ে হ'ল বিশ্বায়ণ, যাক ইংৰাজীত -- বুলি কোৱা হয়। বিংশ শতিকাৰ শেষ দশকৰ পৰা গোটেই বিশ্বৰ লগতে ভাৰতবৰ্ষ তথা অসমতো অৰ্থনীতিৰ উদাৰীকৰণ ব্যৱস্থাই বিশেষ প্ৰভাব বিস্তাৰ কৰিছে । বিশ্বায়ণ হৈছে ৰাষ্ট্ৰ সমূহৰ মাজৰ আৰ্থ-সামাজিক বাণিজ্যিক, ৰাজনৈতিক, আৰু সাংস্কৃতিক সহযোগিতা আৰু আদান-প্ৰদানৰ ভিত্তিত এটা সম্পৰ্ক স্থাপনৰ প্ৰচেষ্টা। বৰ্তমান বিশ্বত সকলো ৰাষ্ট্ৰই এটা কথাতে গুৰুত্ব দিছে যে উদাৰীকৰণ আৰু ব্যক্তিগতকৰণ প্ৰক্ৰিয়াৰ কোনো বিকল্প নাই। বিশ্বায়ণৰ ফলত বহুজাতিক নিগমবোৰ সম্প্ৰসাৰিত হৈছে। যাতায়তৰ সুবিধা, তথ্য প্ৰযুক্তিৰ ব্যৱহাৰে বিশ্বৰ সকলো ঠাইতে মানুহৰ জীৱনৰ শৈলীৰ পৰিবৰ্ত্তন আনিছে। স্বাভাৱিকতে মানুহে সুখ স্বাচ্ছন্দ্যৰে জীৱন অতিবাহিত কৰিব বিচাৰে। আজিৰ ভোগবাদী সমাজৰ সেয়া প্ৰধান লক্ষ্য। ভোগবাদী সমাজখন গঢ় লৈ উঠে ধন টকা পইচাৰে। অৰ্থনীতিয়ে মানুহৰ জীৱন ধাৰণ ক্ষেত্ৰতে নহয়, সকলো ক্ষেত্ৰতে নিয়ন্ত্ৰণ কৰে। বিশ্ব অৰ্থনীতিৰ বজাৰে সমাজৰ সকলো ক্ষেত্ৰতে পৰিবৰ্ত্তন আনিছে। বিশ্বায়নে সমগ্ৰ বিশ্বক এক কৰাৰ প্ৰয়াস যদিও প্ৰত্যেকখন দেশৰ প্ৰত্যেকটো জাতি, জনগোষ্ঠীৰ নিজ স্ব পৰিচয় আছে। বিশ্বায়ন্তৰ প্ৰভাৱত বিভিন্ন জাতি, জনগোষ্ঠীৰ ভাষা, সংস্কৃতি, শিক্ষা, সভ্যতা, বিপন্ন হ'বলৈ ধৰিছে। বৰ্তমান সমাজখন ব্যক্তিকেন্দ্ৰীক, ধৰ্মকেন্দ্ৰিক, নাৰীকেন্দ্ৰিক মানবীয় মূল্যবোধ আজিৰ সমাজ ব্যৱস্থাত যেন আপুৰুগীয়া সম্পদ হৈ পৰিছে। মূল্যবোধৰ লগত জড়িত প্ৰমূল্যবোৰ যেন লাহে লাহে সমাজৰ পৰা হেৰাই যাবলৈ ধৰিছে।

উদ্দেশ্য ঃ- বিশ্বায়ণৰ প্ৰভাৱে সমগ্ৰ পৃথিৱীখনত লগতে আমাৰ ভাৰতবৰ্ষ তথা অসমকো চুই গৈছে। মূল্যবোধৰ অৱস্থিতি জানিবৰ বাবে অসমীয়া সমাজখনেই বাচি লোৱা হৈছে। মানৱতাবোধৰ অৱক্ষয়ৰ মাপকাঠি নিৰ্ণয় কৰাৰ বাবে আমাৰ অসমীয়া সমাজখনৰ কিছুমান দিশ আলোচনা কৰা হৈছে।

এই আলোচনাটিৰ বাবে প্ৰাথমিক কেইখনমান কিতাপৰ সহায় লোৱা হৈছে। বৰ্ণনাত্মক আৰু বিশ্লেষাত্মক পদ্ধতিৰ সহায় লৈ আলোচনাটি আগবঢ়োৱা হৈছে।

মানৱীয় মূল্যবোধ ঃ-সমাজ এখন মানুহ মৰ্যদাসম্পন্নভাৱে জীয়াই থাকিবলৈ হ'লে মূল্যবোধৰ সৃষ্টি আৰু বিকাশ অতি প্ৰয়োজন। 'মূল্যবোধ' শব্দটো মানুহ আৰু সমাজৰ লগত জড়িত। মূল্যবোধৰ ধাৰণা মানুহৰ কৰ্ম আৰু চিন্তাৰ লগত জড়িত। মূল্য শব্দটো অৰ্থনৈতিক ক্ষেত্ৰত ব্যৱহাৰ হয় যদিও ই মানুহৰ প্ৰয়োজন পূৰণ কৰে। অৱশ্যে ব্যক্তিৰ প্ৰয়োজন পূৰণ কৰা ধাৰণাৰেই মূল্যবোধৰ বিচাৰ কৰিব নোৱাৰে। কাৰণ সমাজৰ অপকাৰ হোৱা কাৰ্যৰ মূল্য আছে বুলি ভাৱিব নোৱাৰি। সামাজিক জীৱন সুস্থভাৱে পৰিচালনা কৰিবৰ বাবে যিবোৰ নীতি আৰু আদৰ্শ পালন কৰা হয় তাকেই মূল্যবোধ বুলি কব পাৰি। সমাজত প্ৰচলিত ধৰ্মীয় বিশ্বাস, জীৱন, দৰ্শন নৈতিক আদৰ্শ, ৰাজনৈতিৰ আদৰ্শ, আচাৰ-ব্যৱহাৰ দৈনন্দিন জীৱনৰ কাৰ্য্যৱলী সকলো মূল্যবোধে সামৰি লয়। সমাজ আৰু সময়ভেদে মূল্যবোধৰ ধাৰণা সুকীয়া হ'ব পাৰে। সমাজৰ প্ৰতিটো দিশৰ লগত আধ্যাত্মিক, নৈতিৰ, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক সকলো দিশপ লগতে সম্বদ্ধ আছে। যুক্তিনিষ্ঠতা, নিয়মানুৱৰ্তিতা , সংযমতা, সামাজিক দায়িত্ববোধ অহিংসা, শ্ৰদ্ধা,নম্ৰতা, দেশপ্ৰেম, সহানুভূতি, পৰোপকাৰ ইত্যাদি সকলোবোৰেই মানৱীয় মূল্যবোধৰ লগত সাঙোৰ খাই আছে।

মানৱীয় মূল্যবোধৰ অৱক্ষয় ঃ-বিশ্বায়ণ হ'ল পশ্চিমীয়া পুঁজিবাদী দেশসমূহে অনগ্ৰসৰ দেশসমূহৰ ওপৰত প্ৰভাৱ আৰু আধিপত্য ৰিস্তাৰ কৰাৰ এক কৌশল। বিশ্বায়ণৰ যোগেদি পশ্চিমীয়া দেশসমূহে পশ্চিমীয়া ভোগবাদী সংস্কৃতিক যেন বিশ্বসংস্কৃতি হিচাবে দেখুৱাবলৈ যত্ন কৰিছে। মানৱীয়

মূল্যবোধৰ অৱক্ষয়ৰ প্ৰধান কাৰণ আছিল মানুহৰ বস্তুবাদী আৰু ভোগবাজী মানসিকতা। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছতেই ভাৰতীয় তথা অসমীয়া মানুহে ব্যক্তিগত মৰ্যদাৰ ওপৰত গুৰুত্ব দিবলৈ ধৰিছে। যাৰ ফলত মানুহে টকা-পইচা, সা-সম্পত্তিৰ লোভে মানুহক মানৱীয় মূল্যবোধৰ জ্ঞান নাইকিয়া কৰি পেলালে। নিজৰ সুখ-শান্তিৰ কাৰণে মানুহে যিকোনো কাম কৰিবলৈ ললে।

শিক্ষাৰ ক্ষেত্ৰখনতো যথেষ্ট পৰিবৰ্ত্তন আনিলে। কাৰণ ভোগবাদী বস্তুবাদী মানুহে নিজ সন্তানক জ্ঞান লাভৰ বাবে উৎসাহ নিদিয়ে। তেওঁলোকক লাগে ভাল ৰিজাল্ট, ভাল নম্বৰ। চহৰৰ ভাল দামী স্কুলত ল'ৰা ছোৱালীক পঢ়াবলৈ বিচাৰে, গৌৰৱবোধ কৰে। এনে ধৰণৰ সন্তানে কেতিয়াও সমাজৰ ৰীতি-নীতি পৰম্পৰাৰ বিষয়ে নাজানে।

আধুনিক শিক্ষা ব্যৱস্থা নীতি আদৰ্শৰ প্ৰতি গুৰুত্ব কম। আমি ছাত্ৰ-ছাত্ৰী সকলক নৈতিক আদৰ্শৰে শিক্ষা দিয়াৰ চেষ্টা নকৰো। অভিভাৱক, শিক্ষক সকলোৱে কেৱল নম্বৰৰ কথাহে ভাবো যাৰ ফলত নৈতিক শিক্ষাৰ পৰা ছাত্ৰ-ছাত্ৰী বঞ্চিত হয়। এনে কিছুমান কাৰণৰ বাবে মানবীয় মূল্যবোধ অৱক্ষয় হ'বলৈ ধৰিছে।

মানৱীয় মূল্যবোধ অৱক্ষয়ৰ কিছুমান দিশ তলত আলোচনা কৰা হৈছি। শিক্ষাগুৰু, পিতৃ-মাতৃ আৰু জ্যেষ্ঠ জনক সদায় সন্মান আৰু শ্ৰদ্ধা কৰিব লাগিব। উপনিষদৰ যুগত শিক্ষা শেষ কৰি ঘৰলৈ উভতা শিক্ষাৰ্থীক গুৰৱে উপদেশ দিছিল। মাতৃক দেৱতাৰ দৰে মানিৱা, পিতৃক দেৱতাৰ দৰে মানিবা, আচাৰ্যক দেৱতাৰ দৰে মানিবা। কাৰণ পিতৃ-মাতৃ, শিক্ষাগুৰু আৰু জ্যেষ্ঠ ব্যক্তি সকল সদায় আমাতকৈ ওপৰত। কিন্তু আজিকালি ল'ৰা-ছোৱালী বা ছাত্ৰ-ছাত্ৰী সকলে পিতৃ-মাতৃ, শিক্ষাগুৰু নাইবা জ্যেষ্ঠ জনৰ সন্মান দিবৰৈ টান পায়। ধন-দৌলত পিছত দৌৰা এচাম মানুহে হয়তু তেওঁলোকক নগন্য ব্যক্তি হিচাপে গণ্য কৰে। আজিৰ যুৱ প্ৰজন্মৰ বেছি ভাগৰেই শংখলাবোধৰ অভাৱ। আজিকালি যুৱক সকলৰ উশৃংখলতাৰ স্বাক্ষৰ বাটে পথে, স্কুল কলেজে, উৎসৱ-পাৰ্বন ইত্যাদি সকলোতে দেখা যায়। অৱশ্যে কেতিয়াবা কেতিয়াবা সন্মান হানি হোৱাৰ আন কাৰণো থাকিব পাৰে। কাৰণ কেতিয়াবা দেখা যায় জ্যেষ্ঠ লোক সমাজৰ বহুতো বেয়া কামৰ লগত জড়িত হৈ থাকে।

আমাৰ মাজত থকা শিক্ষক সকলো বিভিন্ন অপকৰ্মত লিপ্ত হোৱা দেখা যায়। গতিকে এনে ধৰণৰ ব্যক্তিয়ে বিচৰামতে সন্মান নাপাব পাৰে। সমাজৰ অপকাৰ হোৱা কাৰ্য যেনে মদ্যপান কৰা, যৌনকাৰ্যত লিপ্ত হোৱা, ছাত্ৰীৰ শালীনতা নষ্ট কৰা এনেধৰণৰ কাৰ্যবোৰ মানৱীয় মূল্যবোধৰ অৱক্ষয়ৰ চিত্ৰ সুন্দৰভাৱে দাঙি ধৰে।

শিক্ষক হিচাবে তেওঁৰ যিখিনি গুনৰ প্ৰয়োজন সেইখিনি থাকিব লাগে। শিক্ষানুষ্ঠানত নিয়মিত উপস্থিত থাকি পাঠদানৰ লগতে আনুসঙ্গিক কাম-কাজৰে ছাত্ৰ-ছাত্ৰীক উপকৃত কৰোৱাটো তেওঁৰ প্ৰধান কৰ্তব্য। তাকে নকৰি টিউচন কৰি টকা-পইচা বেছিকৈ ঘটা মানসিকতাৰে আগবাঢ়িলে সমাজখন আগবাঢ়ি যোৱাত বাধাৰ সৃষ্টি হ'ব। নিজৰ কৰ্তব্যৰ পৰা আতৰি থাকি বিলাসিতা পূৰ্ণ জীৱন-যাপনলৈ ছাপলি মেলাটো উচিত নহয়। এজন শিক্ষক ছাত্ৰ-ছাত্ৰীৰ বাবে সদায় অনুকৰণীয়া। সেয়েহে নৈতিক মূল্যবোধেৰে নিজৰ কৰ্ম ক্ষেত্ৰখনত আগবঢ়া অতি প্ৰয়োজন। শিক্ষা গুৰু সকল ছাত্ৰ-ছাত্ৰীৰ সদায় অনুকৰণীয়। সেইবাবে শিক্ষাগুৰু সকলৰ গধুৰ দায়িত্ব আৰু কৰ্তব্য আছে। শিক্ষক সকলে ছাত্ৰ-ছাত্ৰীক এজন সু-নাগৰিক হিচাপে গঢ়ি তুলিব লাগে। ছাত্ৰ-ছাত্ৰীৰ কাৰণে শিক্ষক হ'ল বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক। শিক্ষকৰ কৰ্তব্য আৰু দায়িত্বই ছাত্ৰ-ছাত্ৰী সকলৰ ব্যক্তিত্ব বিকাশৰ পথ সুগম কৰি তোলে।

মূল্যবোধৰ অৱক্ষয়ৰ আৰু এটা ফাল হৈছে মানৱতাবোধ। বৰ্তমান সমাজখনত মানৱতাৰ মৃত্যু ঘটা যেন লাগে। কাৰণ এইখন সমাজতেই মানুহে মানুহক হত্যা কৰে। মানুহৰ মৰ্যদাতকৈ সমাজৰ প্ৰতিপত্তি লাভৰ প্ৰতিহে মানুহে গুৰুত্ব প্ৰদান কৰে। স্বাৰ্থপৰতা, নৃশংহতা, বৰ্বৰতা, ব্যক্তিকেন্দ্ৰিকতা আদিয়ে সমাজখন বিশৃংখলতাৰে ভৰাই পেলাইছে। ব্যক্তিবাদী সমাজখনত সমাজৰ ৰীতি-নীতি, পৰম্পৰা সহজতেই উলংঘা কৰিব পাৰে।

আজিৰ সমাজৰ ব্যক্তিবাদী আৰু ভোগবাদী মানসিকতাই মানুহে মানুহৰ প্ৰতি কৰা ব্যৱহাৰ সলনি কৰি পেলাইছে। ধন-সম্পত্তি, টকা- পইচাৰ পিছত দৌৰ প্ৰতিযোগিতাৰ মানুহে মানৱতাৰ গোন্ধ পাহৰি পেলাইছে। ধন-সম্পত্তি, টকা-পইচাৰ পিছত দৌৰ প্ৰতিযোগিতাৰ মানুহে মানৱতাৰ গোন্ধ পাহৰি পেলাইছে। চৰকাৰে বি পি এল কাৰ্ডৰ জনসাধাৰণৰ বাবে বিভিন্ন আঁচিন

কৰিছে। এই আঁচনি বোৰৰ ভিতৰত বহুতো আঁচনি তেওঁলোকে নাপায়। আনকি আবাসগৃহ আদি কেতিয়াবা নাপাব লগীয়া মানুহে পোৱা দেখা যায়। কেতিয়াবা আধাবাটতে হৰলুকিও হয়। আনহাতে তেওঁলোকৰ নামত অহা চাউল, কেৰাচিন আদিও কেতিয়াবা বিক্ৰী কৰি ক'লা ধন অৰ্জন কৰে। ৰাজহুৱা কাম বিশেষকৈ পথ,দলং আদি নিমাৰ্ণৰ ক্ষেত্ৰটো বন মন্ত্ৰী, ঠিকাদাৰ বিধায়কৰ মাজত ভাগ বতৰা হোৱা দেখা যায়। ধন সম্পত্তিৰ কাৰণে এনেদৰে মানৱতাৰ বলি হোৱা বহু উদাহৰণ আছে। আমাৰ ৰাজনৈতিৰ নেতাসকল, চৰকাৰী বিভিন্ন কাৰ্য্যালয়বোৰ দুৰ্নীতি ভৰপূৰ। কিন্তু ৰাজনীতিৰ লগত জড়িত ব্যক্তি সকল আমাৰ বিদ্যালয়তে শিক্ষাগ্ৰহণ কৰি আমাৰ সমাজতেই ডাঙৰ-দীঘল হৈ এজন বিষয়া হিচাপে কাম কৰিছে। এজন ৰাজনীতিবিদে আমাৰ সমাজখনৰ কথা কিমান চিন্তা কৰে। গতিকে এনে ব্যক্তি সকলে আনৰ উপকাৰ হোৱা কাম কৰাৰ কথা পাৰহি পেলায়। সমাজৰ উন্নতিৰ বাবে কাম কৰা প্ৰমূল্য পাহৰি যায়।

সম্প্ৰতি বিশ্বায়ণৰ নব্য উদৰতাবাগে বিশ্বৰ চৌদিশে প্ৰভাৱ বিস্তাৰ কৰিছে। বিশ্বা ?ণৰ দূষিত উষ্ণতাত দেখিবলৈ পোৱা গৈছে দৰিদ্ৰতা, নিবনুৱা, বৈষম্যৰ অনাকাংক্ষিত ৰূপ। সমাজ ব্যৱস্থাৰ পৰা মানৱতাবোধ হেৰাই গৈছে। জীৱ শ্ৰেষ্ঠ মানুহে প্ৰযুক্তি বিদ্যাৰ অভূতপূৰ্ব সৃষ্টিৰে নতুন নতুন যন্ত্ৰৰ পিছে পিছে দৌৰি থকাৰ কাৰণে মানৱতাবোধৰ প্ৰধান উপাদান আন্তৰিকতা, সহামুভূতিশীলতা, স্নেহশীলতা , সত্যতা, নৈতিকতা আদি পাহৰি যাবলৈ ধৰিছে। সাধাৰণ কথাতে মানুহে মানুহক হত্যা কৰে, নতুন প্ৰজন্মই নিজৰ সুন্দৰ জীৱনৰ ভৱিষ্যতে জনাঞ্জলি দি আত্মহত্যাৰ দৰে পথ বাচি লয়। বিশ্বায়ণৰ মাত্ৰাধিক বস্তুবাদৰ পোষকতা, ব্যক্তিকেন্দ্ৰিকতা লগতে পুঁজিবাদী আগ্ৰাসনে মানুহৰ পেৰত মাত্ৰাধিক শোশণ অব্যাহত ৰখাৰ উপৰিও মানবীয় মূল্যবোধ ধুলিসাৎ কৰিছে। মানৱ মন গতিশীল। মানুহৰ কৰ্মৰাজিত যথেষ্ঠ পৰিবৰ্তন আহিছে। বিশ্বায়এণ তহৰখনৰ গাওঁ-ভূই এক কৰি পেলাইছে। কম্পিউটাৰ, ইন্টাৰনেট, মুক্ত অৰ্থনীতিয়ে মানুহৰ কৰ্মৰাজিত পৰিবৰ্তন আনিছে। নামী দামী ধনী আদি ধাৰণাবোৰে সৰু সৰু মানুহ বোৰত মানুহৰ ভাৱনা, কৰ্মবোৰৰ নতুন ৰূপত সজাইছে। ফলত এই সৰু বৰ সকলো মানুহ বোৰক মানুহৰ ভাৱনা, কৰ্মবোৰৰ নতুন ৰূপত সজাইছে। ফলত এই সৰু বৰ সকলো মানুহ

এই কৰ্ম সোঁতৰ লগত মিলি যাব ধৰিছে নিজৰ কৰ্ম বিশ্বাস, পৰম্পৰাক লাহে লাহে বিসৰ্জন দিবলৈ ধৰিছে।

<u>মূল্যবোধৰ সংৰক্ষণ ঃ-</u> এখন সুস্থ সমাজ গঢ়ি তুলিবলৈ হ'লে মূল্যবোধৰ সংৰক্ষণৰ ওপৰতগুৰুত্ব দিব লাগিব। সমাজখনত পৰিবৰ্তন আনিবলৈ হ'লে অভিভাৱক, জ্যেষ্ঠ সকল আৰু শিক্ষা গুৰু সকলৰ যথেষ্ঠ দায়িত্ব আৰু কৰ্তব্য আছে। বিশেষকৈ শিক্ষানুষ্ঠানত নিৰ্দিষ্ট পাঠ্যক্ৰমৰ বাহিৰেও নীতি শিক্ষাৰে ছাত্ৰ-ছাত্ৰী সুস্থ সবল কৈ গঢ় দিবৰ বাবে যত্ন কৰিব লাগে। সমাজ প্ৰধান শিক্ষাৰ কঠিয়াতলী হৈছে ঘৰখন। অৰ্থাৎ এটা শিশুৱে জন্ম গ্ৰহণ কৰাৰ পিথত ঘৰখনতেই প্ৰথম শিকিবলৈ আৰম্ভ কৰে। গতিকে মাক-দেউতাকে শিশুক নৈতিৰ শিক্ষাৰে গঢ়ি তুলিবলৈ ঘৰখনত এটা পৰিবেশৰ সৃষ্টি কৰিব লাগে। মাতৃ সকলে এই ক্ষেত্ৰত বেছি গুৰুত্ব প্ৰদান কৰিব লাগে। আজিৰ ছাত্ৰজনেই কাইলৈ দেশৰ নাগৰিক। গতিকে পিতৃ-মাতৃৰ দায়িত্ব অপৰিসীম। কিন্তু আজিৰ ভোগবাদী আৰু বস্তুবাদী আদৰ্শৰে অনুপ্ৰানিত পিতৃ-মাতৃয়ে তেওঁলোকৰ ল'ৰা-ছোৱালীকো সেই চিন্তা ধাৰাৰেই ডাঙৰ দীঘল কৰে। যাৰ ফলত তেনে ছাত্ৰ-ছাত্ৰীয়ে পিতৃ-মাতৃ নাইবা শিক্ষকক শ্ৰদ্ধা কৰিব নোখোজে। 'শ্ৰদ্ধাবান লভতে জ্ঞানম' শ্ৰদ্ধা থাকিলেহে জ্ঞান লাভ কৰিব পাৰি।

মূল্যবোধৰ মানসিকতা এটা গঢ়ি তুলিব পাৰিলেহে মূল্যবোধৰ সংৰক্ষণ সম্ভৱ হ'ব পাৰে। বৰ্তমান ভোগবাজী আৰু বস্তুবাদী সমাজ ব্যৱস্থাত কিতাপ পঢ়াৰ মানসিকতা একেবাৰে লোপ পায় গৈছে। এখন কিতাপৰ অধ্যয়ণে আমাক বহুখিনি মূল্যবোধ শিক্ষা দিব পাৰে। কাৰণ আমাৰ অসমীয়া সাহিত্যত এনে উচ্চ আদৰ্শৰ বহু কিতাপ আছে যি আমাক নৈতিক শিক্ষাৰে শিক্ষিত কৰি ভবিষ্যত জীৱনত আগুৱাই যোৱাত সহায় কৰিব পাৰে। ভোগবাদী সমাজত সস্তীয়া কিতাপ, চিনেমা, গীত, খেল-ধেমালি, জুৱা আদিয়ে আমাৰ সংস্কৃতিৰ অৱক্ষয় আৰম্ভ হৈছে। গতিকে সৃষ্টিশীল সাহিত্যই আমাক বাট দেখুৱাই লৈ যোৱাত সহায় কৰিব পাৰে। এই ভোগবাদী সমাজত মানুহৰ মূল্যবোধ হেৰাই যাবলৈ নিদি আমি আগবাঢ়িব লাগিব সংৰক্ষণৰ দিশে।

<u>উপসংহাৰ ঃ-</u> বিশ্বায়ণৰ প্ৰভাৱত সমাজৰ দ্ৰুত পৰিবৰ্তন ঘটিছে। বিশ্বায়ণৰ

গতি স্তব্ধ কৰাটো কেতিয়াওঁ সম্ভৱ নহয়। গতিকে বিশ্বায়ণৰ সুফল কুফল সকলোবোৰ বিশ্লেষণ কৰি চাব লাগিব। মানুহৰ সামগ্রিক উন্নয়ণৰ কাৰণে কেনেদৰে আগবাঢ়িব পাৰি সেইটোহে গুৰুত্ব দিয়া প্রয়োজন। প্রত্যেক দেশৰে নিজৰ স্বাধীনতা, সাৰ্বভৌমত্ব আছে আৰু বিশ্বায়ণে কেতিয়াওঁ কাঢ়ি ল'ব নোৱাৰে। সমাজৰ যিহেতু পৰিবৰ্তন হৈছেষ সেয়ে মূল্যবোধৰো পৰিবৰ্তন হৈছে। মূল্যবোধৰ পৰিবৰ্তন মানে আমাৰ জীৱনৰ সুখ, টকা-পইচা, সম্পত্তি এইবোৰলৈ বেছিকৈ মন দিয়াৰ বাবে মানবীয় প্রমূল্য সমাজত নোহোৱা হৈছে। গতিকে মূল্যবোধৰ সংৰক্ষণৰ বাবে সমাজৰ প্রতিজন সচেতন ব্যক্তি থিয় হ'ল লাগিব। শিক্ষক, অভিভাৱক জ্যেষ্ঠ নাগৰিক সকল আগবাঢ়ি আহিব লাগিব।

**সহায়ক গ্রন্থ ঃ-**

দত্ত অখিল ৰঞ্জন — বিশ্বায়ণৰ আলিদোমোজাত সমাজ সভ্যতা, পদাতিক প্রকাশন, গুৱাহাটা-৩, প্রথম প্রকাশ ২০২০ চন

ড° বৰুৱা, বিৰিঞ্চি কুমাৰ — অসমৰ লোক সংস্কৃতি, বীনা লাইব্রেৰী, তৃতীয় প্রকাশ, ১৯৮৯ চন।

ড° অধিকাৰী শুকদেৱ (সম্পাদক) — অসময়ীা সংস্কৃতি আৰু বিশ্বায়ণ, ২০১১ চন

গৰীয়সী (আলোচনী) — সপ্তদশ বছৰ, পঞ্চম সংখ্যা ২০২০ চন